সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্তা

৩০ বছৰ, ৪৭ সংখ্যা, ৮ আঘোণ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 47 Date Of Publication - 24 November 2024 Rs.10.00/-

## ৰাজ্যৰ ৫ বিধানসভা সমষ্টিতে বিজেপি মিত্ৰজোঁটৰ ক্লীন ছুইপ

ৰঙিলী বাৰ্তাসেৱা- সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই ৰাজ্যৰ ৫ বিধানসভা সমষ্টি ক্ৰমে বিহালী, চামগুৰি, ধলাই, বঙাইগাঁও আৰু চিদলীত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে ক্লীন ছুইপ কৰিলে। যোৱা চাৰে তিনিটা বছৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে কৰি অহা উন্নয়নমুখী যাত্ৰাৰ প্ৰতি জনসাধাৰণৰ যে পূৰ্ণ আস্থা, সমৰ্থন আৰু আশীৰ্বাদ আছে সেয়া উপ-নিৰ্বাচনৰ ফলাফলতে প্ৰমাণিত হ'ল। আশা কৰা ধৰণেই বিহালী, চামগুৰি আৰু ধলাইত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰিলে। সেইদৰে বঙাইগাঁৱত মিত্ৰদল অগপই আৰু চিদলীত মিত্ৰদল ইউপিপিএল জয়ী হয়। চামগুৰিৰ বিজয় গেৰুৱা দলটিৰ বাবে ঐতিহাসিক, কিয়নো প্ৰথমবাৰৰ বাবে বিজেপিয়ে সংখ্যালঘু অধ্যুষিত এটা সমষ্টিৰ ভিতৰত প্ৰৱেশ কৰিবলৈ সক্ষম হ'ল। চামগুৰি সমষ্টিটো পূৰ্বৰ পাঁচবাৰৰ বিধায়ক ৰকিবুল হুছেইনৰ দুৰ্গ বুলি কোৱা হয়। উপ-নিৰ্বাচনৰ ফলাফল অনুসৰি বিহালীত বিজেপিৰ দিগন্ত ঘাটোৱালে ৯, ০৫১টা ভোটৰ ব্যৱধানত জয়লাভ কৰে। বিজেপিৰ দিগন্ত ঘাটোৱালে ৫০, ৯৪৭টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ জয়ন্ত বৰাই



৪১, ৮৯৬টা ভোট লাভ কৰে। সেইদৰে চিপিআই (এমএল) ৰ লক্ষ্মীকান্ত কুৰ্মীয়ে ৫, ০৯৩টা, আপৰ অনন্ত গগৈয়ে ১, ২১৭টা ভোট লাভ কৰে। সমষ্টিটোত ১, ৫১৪টা ভোট ন'টাত পৰিছে। আনহাতে, ধলাই সমষ্টিত বিজেপিৰ নিহাৰৰঞ্জন দাসে ৯, ০৯৮টা ভোটৰ ব্যৱধানত জয়লাভ কৰিছে। নিহাৰৰঞ্জন দাসে ৬৯, ৯৪৫টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থই ৬০, ৮৪৭টা, নিৰ্দলীয় অমলেন্দু দাসে ৫, ০৬১টা, গৌৰ চন্দ্ৰ দাসে ১, ৭৩৭টা, ৰাজু দাসে ৭১৭টা, দিলীপ কুমাৰ ধুবীয়ে ৬৪৯টা, পৰিমল দাসে ৫১১টা, ধীৰাজ দাসে ৩৪৪টা ভোট লাভ কৰে। সমষ্টিটোত ১, ৫২৮টা ভোট ন'টাত পৰিছে। সেইদৰে চামগুৰি সমষ্টিত বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মাই ২৪, ৫০১টা ভোটৰ ব্যৱধানত জয়লাভ কৰিছে। বিজেপিৰ দিপ্লুৰঞ্জন শৰ্মাই

(দহ পৃষ্ঠাত চাওক)

## মহাৰাষ্ট্ৰত বিজেপি-নেতৃত্বাধীন মহাযুটিৰ মহাবিজয়



ৰঙিলী বাৰ্তাসেৱা- মহাৰাষ্ট্ৰত মহাযুটিৰ মহাবিজয়। দেশবাসীৰ দৃষ্টি নিবন্ধ হৈ থকা মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ ফলাফলত মহাযুটিয়ে অভিলেখসংখ্যক আসনেৰে বিজয় সাব্যস্ত কৰে। ২৮৮জনীয়া বিধানসভাত চৰকাৰ গঠনৰ প্ৰয়োজনীয় সংখ্যা ১৪৫ অতিক্ৰম কৰি বিজেপি-শিৱসেনা আৰু এনচিপিৰ মহাজোঁটে ২৩৬খন আসন লাভ কৰিবলৈ সক্ষম হয়। বিৰোধী মহাবিকাশ আঘাড়ী নিৰ্বাচনী ফলাফলত শোচনীয় পৰাজয়ৰ সন্মুখীন হয়। একপ্ৰকাৰ মহাযুটিৰ সন্মুখত মহাবিকাশ আঘাড়ীৰ প্ৰদৰ্শন অতি শোচনীয় হৈ পৰে আৰু ৪৮খন আসনতে সীমাবদ্ধ হৈ থাকে। বিজেপি নেতৃত্বাধীন

(দহ পৃষ্ঠাত চাওক)

## বিহালী সমষ্টিৰ ফলাফলৰ সম্পূৰ্ণ দায়িত্ব মই লৈছোঁঃ গৌৰৱ গগৈ



ৰঙিলী বাৰ্তাসেৱা- বিহালী দখলৰ সপোন দেখা সাংসদ তথা লোকসভাৰ কংগ্ৰেছৰ উপ-দলপতি গৌৰৱ গগৈৰ দৰ্প-অহংকাৰ-গপ চূৰ্ণ কৰি পেলালে সদ্যঘোষিত নিৰ্বাচনী ফলাফলে। বিহালীত নচলিল সাংসদ গৌৰৱ গগৈৰ যাদু। নিজ স্থিতিত অটল থাকি সাংসদ গৌৰৱ গগৈয়ে দলত যোগদান নকৰাকৈয়ে বিজেপিৰ টিকটবঞ্চিত জয়ন্ত বৰাক নিশাটোৰ ভিতৰতে কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিছিল। ফলত ভূপেন বৰাই ত্যাগ কৰিবলগীয়া হৈছিল অসম সন্মিলিত মঞ্চৰ সভাপতিৰ পদ। বিৰোধী ঐক্য থানবান হৈ পৰিছিল। পিছে বিহালীত খুঁটি পুতি বহা সাংসদ গৌৰৱ গগৈয়ে জয়ন্ত বৰাক জয়ী কৰাব নোৱাৰিলে। ইয়াৰ বিপৰীতে ৫০, ৯৪৭টা ভোট লাভেৰে সমষ্টিটোত বিজেপিৰ বিজয়ধ্বজা উৰুৱালে দিগন্ত ঘাটোৱালে। জয়ন্ত বৰাই ৪১, ৮৯৬টা ভোটতে ক্ষান্ত থাকিবলগীয়া হয়। জয়-পৰাজয়ৰ ব্যৱধান ৯, ০৫১টা ভোট। লক্ষণীয়ভাৱে এদিন আগলৈকে বিহালীত কংগ্ৰেছ জয়ী হোৱাৰ দাবী কৰি আহিছিল। পিছে ফলাফল ঘোষণাৰ পিছত সেই একেজন মানুহে পৰাজয়ৰ দায়িত্ব ল'বলৈ বাধ্য হ'ল। সংবাদ মাধ্যমৰ গৌৰৱ গগৈৰ স্পষ্ট ভাষ্য- 'বিহালী সমষ্টিৰ ফলাফলৰ সম্পূৰ্ণ দায়িত্ব মই লৈছোঁ।' এতিয়া জয়-পৰাজয়ৰ ব্যৱধান হ্ৰাস পোৱাটোৱেই যেন তেওঁৰ বাবে স্বস্তি। সাংসদ গৌৰৱ গগৈয়ে কয় যে ফলাফলৰ দিশৰ পৰা মই যদি চাওঁ- বিহালীত ইয়াৰ পূৰ্বে যিমান নিৰ্বাচন হৈছে কংগ্ৰেছে এনেধৰণৰ ভোট লাভ কৰা নাই। পূৰ্বতে কংগ্ৰেছে ২২-২৫ হাজাৰ ভোটত পৰাজিত হয়। বিজেপিৰ

(দুই পৃষ্ঠাত চাওক)

## গৌৰৱৰ অহংকাৰৰ বাবেই বিজেপিয়ে ৫আসনত জয়ী হ'লঃ অখিল গগৈ



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যৰ উপ-নিৰ্বাচনত ৫ টা সমষ্টিতেই বিজেপি আৰু মিত্ৰজোঁটৰ জয় তথা কংগ্ৰেছৰ পৰাজয়ক লৈ সৰৱ হৈ উঠিছে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈ। উপ- নিৰ্বাচনৰ ফলাফল ওলোৱাৰ পাছতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অখিল গগৈয়ে কয় যে কংগ্ৰেছে তেওঁলোকৰ ভিতৰুৱা সংঘাতৰ বাবে বিশেষকৈ সভাপতি ভূপেন বৰা আৰু সাংসদ গৌৰৱ গগৈৰ মাজত চলা সংঘাতৰ বাবে ৫খন আসনত বিজেপি আৰু মিত্ৰদল জয় হ'ল। গৌৰৱ গগৈৰ চৰম অহংকাৰৰ বাবেই বিজেপিয়ে ৫খন আসন কাঢ়ি ল'বলৈ সক্ষম হ'ল। ইয়াৰ পৰা আমি এটাই শিক্ষা ল'ব লাগিব যে ২০২৬ চনত বিজেপিবিৰোধী সকলো পুনৰ একলগ হ'ব লাগিব। সংবাদ মাধ্যমৰ আগত অখিল গগৈয়ে কয় যে বিৰোধী ঐক্যমঞ্চই একেলগে নিৰ্বাচন খেলা হ'লে চাৰিখন আসনত জয়যুক্ত হ'ব পাৰিলোঁহেঁতেন। কিন্তু কংগ্ৰেছে তাতকৈ বেছি ভাল ফলাফল দেখুৱাব পাৰিম বুলি আত্মবিশ্বাসী হৈ ৫টা

(দহ পৃষ্ঠাত চাওক)

# এবিভিপিৰ ৰাষ্ট্ৰীয় অধিৱেশনত গুৱাহাটী আৰু অসম বিশ্ববিদ্যালয়ৰ দুই সভাপতিক সম্বৰ্ধনা



ৰঙিলী বাৰ্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৭০ সংখ্যক ৰাষ্ট্ৰীয় অধিৱেশন ২২ নৱেম্বৰৰ পৰা ২৪ নৱেম্বৰলৈ গোৰখপুৰত অনুষ্ঠিত হৈ আছে। অধিৱেশনৰ দ্বিতীয় দিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সভাপতি মানস প্ৰতীম কলিতা আৰু অসম বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি শুভম ৰয়ক অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰাষ্ট্ৰীয় সভাপতি ৰাজচৰণ শ্বাহী আৰু ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডাং বীৰেন্দ্ৰ সিং সোলাংকীয়ে সন্মানীত কৰে। উল্লেখযোগ্য যে দুয়োগৰাকী ছাত্ৰ নেতাই অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ সমৰ্থিত প্ৰাৰ্থী হিচাপে বিগত নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰি বিজয়ী হ'বলৈ সক্ষম হৈছিল। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক ডাং বীৰেন্দ্ৰ সিং সোলাংকীয়ে আজি দুয়োগৰাকী ছাত্ৰ নেতাক সম্বৰ্ধনা জনাই দুয়োগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰে। লগতে তেওঁ আগন্তুক সময়ত দুয়োগৰাকী ছাত্ৰ নেতাৰ নেতৃত্বত দুয়োখন বিশ্ববিদ্যালয়ে এক নতুন গতি লাভ কৰাৰ লগতে বিশ্ববিদ্যালয় দুয়োখনত বিদ্যাৰ্থী পৰিষদৰ কাম কাজেও নতুন দিশ লাভ কৰিব বুলি আশা প্ৰকাশ কৰে।

# অন্ধবিশ্বাস দূৰীকৰণ সম্পৰ্কীয় দ্বিতীয় সজাগতা সভা আৰ্যভট্ট মাজুলী জিলা কেন্দ্ৰৰ



ৰঙিলী বাৰ্তাসেৱা- সমাজত প্ৰচলিত অন্ধবিশ্বাস দূৰীকৰণৰ বাবে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ বিশেষ সহযোগত আৰু আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, মাজুলী জিলাৰ সৌজন্যত আয়োজিত সজাগতা কাৰ্যসূচীৰ দ্বিতীয়খন সজাগতা সভা আজি মাজুলীৰ বেঙেনাআটী ৰমাকান্ত দেৱ গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক মুনিন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে কেন্দ্ৰৰ জিলা সমন্বয়ক ডঃ অনুপ কুমাৰ দলেয়ে সকলোকে আদৰণি জনোৱাৰ লগতে অনুষ্ঠানৰ উদ্দেশ্য ৰাখ্যা কৰে। সভাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই বিজ্ঞানক মানুহে জীৱন নিৰ্বাহৰ লগৰীয়া কৰিবলৈ শিকিলে যদিও সৰহভাগ মানুহৰে বৈজ্ঞানিক সজাগতা আৰু মনস্কতা বৰ্তমানেও গঢ় লৈ উঠা নাই বুলি উল্লেখ কৰে। লগতে এক যুক্তিবাদী মনৰ দ্বাৰাহে এনে কুসংস্কাৰসমূহক আঁতৰ কৰিব পৰা যাব বুলি অভিহিত কৰে। সভাত সমল ব্যক্তি ৰূপে উপস্থিত থাকি মাজুলী মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ সহকাৰী অধ্যাপক ডঃ দেৱজ্যোতি ভট্টাচাৰ্য্যই কেইবাটাও বাস্তৱ উদাহৰণৰে কিদৰে এচাম অসৎ ব্যক্তিৰ প্ৰৰোচনাত ঠায়ে ঠায়ে একাংশ লোক ক'লা যাদুৰ দৰে অন্ধবিশ্বাসৰ বলি হৈছে সেই বিষয়ে উল্লেখ কৰি তেনেধৰণৰ ভুক্তভোগী নিৰীহ লোকক অৱহেলাৰ পৰিৱৰ্তে মৰম আৰু সাহসেৰে সবল কৰি সমাজকো সুস্থ কৰিবলৈ সকলোকে অনুৰোধ জনায়। লগতে শিক্ষা আৰু সচেতনাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল সমৃদ্ধ হ'লে অনাগত সময়ত এনে কুসংস্কাৰসমূহ সমাজৰ পৰা সম্পূৰ্ণৰূপে দূৰ হ'ব বুলি আশা প্ৰকাশ কৰে। বিদ্যালয়ৰ শিক্ষকসকলৰ (দহ পৃষ্ঠাত চাওক)

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সন্মানীয় 'কী টু দ্য চিটী অৱ জৰ্জটাউন' অৰ্পণ




ৰঙিলী বাৰ্তাসেৱা- ব্ৰাজিলত জি-২০ সন্মিলনত অংশ লৈ ঐতিহাসিক গায়ানা ভ্ৰমণ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৫০ বছৰতকৈও অধিক সময়ৰ পাছত ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদী জৰ্জটাউনত উপস্থিত হয়। জৰ্জটাউনত উপস্থিত হোৱাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক প্ৰবাসী ভাৰতীয়সকলে উষ্ম আদৰণি জনায়। প্ৰবাসী ভাৰতীয়সকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভাৰতীয় পৰম্পৰাৰে আদৰণি জনায়। জৰ্জটাউনৰ হোটেলত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক গায়ানাৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে আদৰণি জনায়। ইয়াৰ উপৰি বাৰ্বাডোজৰ প্ৰধানমন্ত্ৰীয়েও নৰেন্দ্ৰ মোদীক আদৰণি জনায়। ইফালে ভাৰত-গায়ানাৰ ঐতিহাসিক সম্পৰ্কৰ স্বীকৃতি হিচাপে জৰ্জটাউনৰ মেয়ৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অৰ্পণ কৰে 'কী টু দ্য চিটা অৱ জৰ্জটাউন'। পৃথিৱীৰ ভিতৰত অন্যতম পুৰণি প্ৰবাসী ভাৰতীয়ৰ বাসভূমি গায়ানাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় মূলৰ লোকসকলৰ সৈতে অন্তৰংগ আলাপত মিলিত হয়। ভাৰতীয় পতাকা (দহ পৃষ্ঠাত চাওক)

# বিহালী সমষ্টিৰ ফলাফলৰ

কিছুমানে ২০-৩০ হাজাৰ ভোটৰ ব্যৱধানত ওলাই যাব বুলি কৈছিল। আজি বিজয়ৰ মাৰ্জিনক লৈ বিজেপি খুব সন্তুষ্ট হ'ব লাগে বুলিও মই নাভাবোঁ। বিহালীৰ নিৰ্বাচনৰ জৰিয়তে উত্তৰ অসমত কংগ্ৰেছে আৰম্ভণিহে কৰিছে। ভৱিষ্যতে উত্তৰ অসমত কংগ্ৰেছক আৰু অধিক সক্ৰিয় কৰিম। বিহালী সমষ্টিটো চিপিআই (এমএল)ক এৰি নিদিয়াৰ প্ৰসংগ উনুকিয়াই দিয়াত তেওঁৰ প্ৰতিক্ৰিয়া আছিল এনেধৰণৰ- ভোট দেখিলেই। কংগ্ৰেছৰ সিদ্ধান্ত যে শুদ্ধ আছিল সেয়া এই নিৰ্বাচনৰ ফলাফলে প্ৰমাণ কৰি দিছে। বিহালীত জয়ন্ত বৰাৰ পৰাজয়ে সাংসদ গৌৰৱ গগৈৰ ৰাজনীতি কেৰিয়াৰত এক বৃহৎ প্ৰশ্নবোধকৰ সৃষ্টি হৈছে। সাংসদ গৌৰৱ গগৈয়ে জয়ন্ত বৰাক নিজাববীয়া সিদ্ধান্তৰে বিহালীত প্ৰক্ষেপ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ সময়ত বিশ্বনাথ জিলা কংগ্ৰেছ নেতা-কৰ্মীৰ উপৰি প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বৰে আলোচনা- বিলোচনা কৰা নাছিল। ফলত সাংসদ গৌৰৱ গগৈয়ে এককভাৱে বিহালীত নিৰ্বাচনী প্ৰচাৰ চলাব লগা পৰিস্থিতি হৈছিল। তদুপৰি সাংসদ গৌৰৱ গগৈয়ে বিহালী সমষ্টিত ভাষণবাজীৰে নিৰ্বাচনী ৰণ জিকাৰ প্ৰচেষ্টা চলাইছিল। ইয়াৰ বিপৰীতে মন্ত্ৰী পীযূষ হাজৰিকাই বিহালীৰ চুক-কোণৰ জনবিন্যাস, আঞ্চলিক সমস্যা আৰু ৰাজনৈতিক ইচ্ছা বিশ্লেষণ কৰি সাংসদ গৌৰৱ গগৈক ভোটযুদ্ধত নিতৌ নতুন কৌশল অৱলম্বন কৰি বিজেপিমুখী এক আভ্যন্তৰীণ টো সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। তদুপৰি বিহালীৰ বাঘমৰা উন্নয়ন খণ্ড এলেকাৰ অন্তৰ্গত ৰতোৰা গাঁও পঞ্চায়তৰ জিনজিয়া মহাবীৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰ আৰু বিহালী উন্নয়ন খণ্ডৰ বৰগাং গাঁও পঞ্চায়ত অন্তৰ্গত বিহালী স্নাতক মহাবিদ্যালয় খেলপথাৰত একোখনকৈ ৰাজহুৱা সভাত আৰু জিনজিয়া গাঁও পঞ্চায়ত এলেকাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক পদযাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰি সমষ্টিটোৰ বাট-পথৰ উন্নয়নৰ হেতু ১০০ কোটিটকীয়া পেকেজ, বিহালীৰ গোৰ্খা সন্তান তথা অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰতিষ্ঠাপক সভাপতি বাবু ছবিলাল উপাধ্যায়ৰ এক প্ৰতিমূৰ্তি গুৱাহাটীত স্থাপন, বাবু ছবিলাল উপাধ্যায়ৰ বিহালীৰ গাংমৌথানস্থিত বাসগৃহ সংৰক্ষণ, আদিবাসী-চাহ জনগোষ্ঠীৰ উপ-জাতি উড়িয়া জনগোষ্ঠীয় সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ ঘোষণাকে ধৰি একাধিক উন্নয়নমূলক আঁচনি ৰূপায়ণৰ প্ৰতিশ্ৰুতিয়ে সমষ্টিটোত পঞ্চমবাৰলৈ বিজেপি জয়ী হোৱাত মূল ভূমিকা গ্ৰহণ কৰা বুলি ৰাজনৈতিক বিশ্লেষক মহলে দাবী কৰিছে। মূলতঃ সাংসদ গগৈয়ে ক্ষমতা লাভৰ সুযোগ বিচাৰি বিৰোধী মিত্ৰতা ভংগ কৰি ব্যক্তি স্বাৰ্থ পূৰণৰ যি অভিসন্ধি ৰচিছিল সেই অভিসন্ধি এটা দিনতে ভাঙি-ছিঙি চুৰমাৰ কৰিছিল ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আনহাতে সাংসদ গগৈৰ পৰাজয়ত উৎফুল্লিত হৈ পৰিছে বিৰোধী মিত্ৰজোঁট অসম সন্মিলিত মঞ্চৰ নেতৃত্ব। দৰাচলতে বিহালী উপ-নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থী জয়ন্ত বৰা পৰাভূত হোৱাটো বিৰোধী মিত্ৰজোটৰ নেতা তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু সাংসদ অজিত কুমাৰ ভূঞাই মনে-প্ৰাণে বিচাৰিছিল। কিয়নো, বিহালীত নিৰ্বাচনী প্ৰচাৰ বিৰোধী মিত্ৰজোঁটৰ নেতা অখিল গগৈ, লুৰিণজ্যোতি গগৈ আৰু সাংসদ অজিত কুমাৰ ভূঞাই কংগ্ৰেছ দল-প্ৰাৰ্থীৰ বিৰুদ্ধে নিৰ্বাচনী প্ৰচাৰ চলাইছিল।

# বজালীৰ ভৱানীপুৰত শোকাৱহ পথ দুৰ্ঘটনা



ৰঙিলী বাৰ্তাসেৱা- ৰাসৰ আনন্দৰ মাজতে বজালীৰ ভৱানীপুৰত এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হয়। ট্ৰাক আৰু মাৰুতি ভানৰ মুখামুখি সংঘৰ্ষত নিহত হয় ৫ গৰাকীকৈ ব্যক্তি আৰু ২গৰাকী ব্যক্তি আহত হয়। যোৱানিশা প্ৰায় দুই বজাত নলবাৰীৰ পৰা ৰাস উপভোগ কৰি বৰপেটালৈ ওভতাৰ পথত ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখত একে দিশৰ পৰা গৈ থকা ট্ৰাকত প্ৰচণ্ড খুন্দা মাৰে মাৰুতি ভান এখনে। ঘটনাস্থলীত ভানখনত থকা সাতগৰাকী আৰোহীৰ পাঁচগৰাকী ক্ৰমে আচিচ হাবিব খান, মিজাউৰ ৰহমান, ৰয়েল খান, মইৰুল হক আৰু মিজানুৰ নিহত হয়। সংকটজনক অৱস্থাত আন আহত দুজনক বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন কৰোৱা হয়।

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত ইউ পি এচ চিৰ প্ৰাক্তন অধ্যক্ষ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় প্ৰশাসনিক সেৱাৰ প্ৰতিযোগিতা মূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ দৈনিক এটা নহয় এটা নতুন কথা শিকিবলৈ, বুজিবলৈ চেষ্টা কৰাৰ প্ৰয়োজন। দৈনিক মনৰ মাজত যিকোনো এটা বিষয়ৰ বাবে অনেক প্ৰশ্ন কৰা প্ৰয়োজন। ভাৰতীয় লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ তথা ভাৰতবৰ্ষৰ এগৰাকী জনপ্ৰিয় শিক্ষাবিদ ড° ডি পি আগৰৱালে এইদৰে কয়। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু বি চি এ বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা অন্তৰংগ আলাপত ড° আগৰৱালাই কয়- দৈনিক বাতৰি কাকত, আলোচনী অধ্যয়ন কৰাই নহয়, নিজৰ ঠাইখনৰ, ৰাজ্যখনৰ, দেশখনৰ বিভিন্ন ঠাই, অঞ্চলসমূহক লৈও প্ৰশ্ন মনলৈ অনা প্ৰয়োজন আৰু তেনে অভ্যাসে ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাত সহায় কৰে। তেওঁ কয় ছাত্ৰ-ছাত্ৰী সকলে সৰুৰে পৰা তেনে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ লক্ষ্য বান্ধি লোৱা প্ৰয়োজন আৰু ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত সৰু সৰু গোটত বিভক্ত হৈ তেনে আলোচনাচৰ্চা কৰা প্ৰয়োজন। ছাত্ৰ একতা সভাৰ দৰে সংগঠনসমূহে মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত তেনে প্ৰতিযোগিতামূলক পৰীক্ষাৰ পৰিৱেশ গঢ়ি তুলিব পাৰে আৰু দেশৰ সেৱা কৰিবলৈ উপযুক্ত মানবসম্পদ সৃষ্টি কৰিব পাৰে। প্ৰায় এঘণ্টা ধৰি অনুষ্ঠিত হোৱা এই অন্তৰংগ আলাপৰ পূৰ্বে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক চিন্ময় কলিতাই ভূতপূৰ্ব অধ্যক্ষগৰাকীক এখন ফুলাম গামোছাৰে আদৰণী জনায়। উল্লেখ্যযোগ্য যে ড° আগৰৱালা দীৰ্ঘদিন ধৰি ভাৰতীয় লোকসেৱা আয়োগৰ স'তে জড়িত হৈ থকাৰ লগতে ভাৰত চৰকাৰৰ বিভিন্ন উচ্চ পৰ্যায়ৰ সমিতিৰ সদস্য হিচাপে সেৱা আগবঢ়াইছিল। ভূতপূৰ্ব অধ্যক্ষগৰাকীক ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন প্ৰশ্ন সোধে আৰু তেওঁ যথাযথভাৱে উত্তৰ প্ৰদান কৰে। অন্তৰংগ আলাপ অনুষ্ঠানত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী উপস্থিত থাকে। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ত অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা ৰাজকোঁৱৰ, বীৰাঙ্গনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰাক্তন প্ৰতিষ্ঠাপক উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়া, শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জে পি বাৰ্মা, ভাৰপ্ৰাপ্ত পঞ্জীয়ক যজ্ঞেশ্বৰ গোস্বামী শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ২০২৪-২৫ শৈক্ষিক বৰ্ষৰ আৰম্ভণী কৰিবলৈ মহাবিদ্যালয়খনত থকা বিশ্ববিদ্যালয় কেন্দ্ৰটোত উপস্থিত হৈছিল। উল্লেখ্য যে ঐতিহাসিক ডিব্ৰুগড় হনুমানব' সুৰজমল কানৈ মহাবিদ্যালয়ত একেদিনাই তিনিখনকৈ বিশ্ববিদ্যালয়ৰ তিনিগৰাকী উপাচাৰ্যৰ লগতে ভাৰতীয় লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষৰ উপস্থিত থকা এই দিনটো এক ঐতিহাসিক দিন বুলি বিবেচিত হৈছে।

# এছিয়ান মহিলা হকী চেম্পিয়নছত খিতাপ অৰ্জন ভাৰতৰ




ৰঙিলী বাৰ্তাসেৱা- বিহাৰৰ ঐতিহাসিক চহৰ ৰাজগীৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা এছিয়ান মহিলা হকী চেম্পিয়নশ্বিপত খিতাপ অৰ্জন কৰে ভাৰতীয় মহিলা হকী দলে। ফাইনেলত ভাৰতীয় দলটোৱে প্ৰতিদ্বন্দ্বী চীনক ১-০ গ'লত পৰাস্ত কৰে। অৱশ্যে পেনাল্টী কৰ্ণাৰত ব্যৰ্থ প্ৰচেষ্টাৰ পাছত দীপিকাই ৰিভাৰ্ছ হিটেৰে গ'ল প্ৰদান কৰে। প্ৰতিযোগিতাত খেলুৱৈগৰাকীৰ এয়া আছিল ১১সংখ্যক গ'ল। প্ৰথমাৰ্ধত চীনে দুৰ্দান্ত প্ৰদৰ্শন আগবঢ়াই ভাৰতক কোনো গ'ল প্ৰদানৰ সুযোগেই নিদিলে। এই সময়ত ভাৰতে চাৰিটা পেনাল্টী কৰ্ণাৰ লাভ কৰাৰ বিপৰীতে চীনে লাভ কৰে দুটা পেনাল্টী কৰ্ণাৰ। এছিয়ান মহিলা হকী চেম্পিয়নশ্বিপৰ ফাইনেল খেলখন আৰম্ভ হোৱাৰ ৩ ঘণ্টা পূৰ্বৰে পৰা ষ্টেডিয়াম ভৰি পৰিছিল দৰ্শকেৰে। খেলখন স্বচক্ষে প্ৰত্যক্ষ কৰিবলৈ ষ্টেডিয়ামত উপস্থিত হয় কোৰিয়া, জাপান আৰু মালয়েছিয়াৰ দলসমূহ। খেলখনৰ সময়ত কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মনসুখ মাণ্ডৱিয়া, বিহাৰৰ উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধুৰী আৰু বিহাৰৰ জলসম্পদ তথা জিলাখনৰ প্ৰভাৰী মন্ত্ৰী বিজয় কুমাৰ চৌধুৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজত বিশ্ব দৰ্শন দিৱস উদ্‌যাপন




ৰঙিলী বাৰ্তাসেৱা- কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া কলেজত দৰ্শন বিভাগৰ উদ্যোগত বিশ্ব দৰ্শন দিৱসৰ লগত সংগতি ৰাখি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। বন্তিপ্ৰজ্বলনেৰে আৰম্ভ হোৱা উক্ত অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষা ড° শিখা মনি কোঁৱৰে। আদৰণি ভাষণত তেওঁ কয় যে আজিৰ প্ৰজন্মৰ মাজত অগ্ৰজৰ প্ৰতি সন্মান আৰু সহিষ্ণুতাৰ সম্ভাৰ বিৰাজ কৰিব লাগে। দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মৰমী চৌধুৰীয়ে বিশ্ব দৰ্শন দিৱসৰ ২০২৪বৰ্ষৰ উক্তি " Philosophy:Bridging Social Gap"ৰ ওপৰত আলোকপাত কৰাৰ লগতে বিশ্ব দৰ্শন দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। সভাৰ নিৰ্দিষ্ট বক্তা দৰ্শন বিভাগৰ অধ্যাপক তথা যোগ প্ৰশিক্ষক ড° নুৰুল ইছলামে "Yoga and Well-being" ৰ ওপৰত এক শ্ৰুতিমধুৰ বক্তৃতা প্ৰদান কৰে। তেওঁ কয় যে যোগে মানুহক মনৰ পৰা শুদ্ধ কৰে । কৰ্ম যোগ, জ্ঞান যোগ, ভক্তি যোগ আৰু পতঞ্জলি যোগৰ ওপৰতও তেওঁ ভাষণ ৰাখে। দৰ্শন বিভাগৰ অধ্যাপক ৰজব আলীয়ে অনুষ্ঠানটিৰ আঁত ধৰাৰ লগতে শলাগৰ শৰাই আগবঢ়ায়। শিক্ষক, কৰ্মচাৰী তথা ছাত্ৰ ছাত্ৰীৰ উপস্থিতিয়ে অনুষ্ঠানটিক সাফল্য মন্দিত কৰে।

# মণিপুৰলৈ দিল্লীয়ে পঠিয়াব সশস্ত্ৰ বাহিনীৰ ৫০ কোম্পানী

ৰঙিলী বাৰ্তাসেৱা- গোষ্ঠীগত সংঘৰ্ষৰ সমান্তৰালকৈ প্ৰতিবাদী আৰু নিৰাপত্তা বাহিনীৰ মাজত হোৱা সংঘাতে মণিপুৰ উত্তপ্ত কৰি ৰাখিছে। ৰাজ্যখনত প্ৰান্তে প্ৰান্তে গোষ্ঠীগত সংঘৰ্ষই উত্তপ্ত কৰি তোলাৰ পিছত কেন্দ্ৰীয় চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মণিপুৰৰ অশান্ত পৰিস্থিতিক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নতুন দিল্লীৰ নৰ্থ ব্লকত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। মণিপুৰৰ সমগ্ৰ পৰিস্থিতিৰ বিতং আলোচনাৰ অন্তত ৰাজ্যখনলৈ শান্তি আৰু সুস্থিৰতা ঘূৰাই অনাৰ বাবে অৰ্ধসামৰিক বাহিনীক নিৰ্দেশ দিছে। তদুপৰি বৈঠকত ৰাজ্যখনৰ নিৰাপত্তাজনিত পৰিস্থিতি সন্দৰ্ভত আলোচনাৰ অন্তত ৫০টা কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ কোম্পানী প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইতিমধ্যে এই ৫০টা কোম্পানীক মণিপুৰলৈ ৰাওনা হ'বৰ বাবে নিৰ্দেশ দিয়া হৈছে। এটা কোম্পানীত ৫ হাজাৰতকৈ অধিক জোৱান থাকে। মন কৰিবলগীয়া যে ৰাজ্যখনৰ শান্তি ঘূৰাই অনাৰ বাবে সকলো নিৰাপত্তা বাহিনী বিশেষভাৱে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। ইপিনে, প্ৰতিবাদকাৰী আৰু নিৰাপত্তা বাহিনীৰ মাজত হোৱা সংঘৰ্ষত এজন প্ৰতিবাদী যুৱক নিহত হৈছে। ক্ষোভিত প্ৰতিবাদীক নিয়ন্ত্ৰণ কৰিবলৈ নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন প্ৰতিবাদী যুৱক নিহত হোৱাৰ লগতে আন দুজন আহত হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে প্ৰতিবাদকাৰীয়ে কেইবাজনো নেতাৰ গৃহ আৰু ৰাজনৈতিক দলৰ কাৰ্যালয়ত আক্ৰমণ কৰিবলৈ চেষ্টা চলাওঁতে নিৰাপত্তা বাহিনীয়ে বাধা প্ৰদান কৰে। জিৰিবাম আৰক্ষী থানাৰ অন্তৰ্গত কেইবাটাও অঞ্চলত প্ৰতিবাদকাৰীয়ে ৰাজহুৱা সম্পত্তি ধ্বংস কৰাৰ লগতে নেতাৰ বাসগৃহত আক্ৰমণ কৰি অগ্নিসংযোগ কৰে। এই কাৰ্য প্ৰতিৰোধ কৰিবলৈ নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন যুৱক নিহত হৈছে। উল্লেখ্য যে শনিবাৰে দুগৰাকী মন্ত্ৰী আৰু তিনিজন বিধায়কৰ বাসগৃহত প্ৰতিবাদকাৰীয়ে আক্ৰমণ চলাইছিল। দেওবাৰেও তেনে প্ৰচেষ্টা চলাওঁতে প্ৰতিবাদকাৰী আৰু নিৰাপত্তা বাহিনীৰ মাজত সংঘাত হয়। লক্ষণীয় যে সন্দেহযুক্ত কুকি উগ্ৰপন্থীয়ে মেইটেই পৰিয়ালৰ সদস্য এটাক অপহৰণ কৰি নি হত্যা কৰাৰ পিছতে ৰাজ্যখনত পুনৰ গোষ্ঠীগত সংঘৰ্ষই গা কৰি উঠিছে। মেইটেই পৰিয়ালৰ ৩ মহিলা আৰু ৩ শিশুসহ মুঠ ৬জনক অপহৰণ কৰি নি কুকি উগ্ৰপন্থীয়ে হত্যা কৰে। এই মেইটেই পৰিয়ালৰ মৃতদেহকেইটা জিৰিবাম জিলাৰ নদী এখনত উদ্ধাৰৰ পিছতে পৰিস্থিতি জটিল হৈ পৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰাৰ পূৰ্বেই ইতিমধ্যে ৰাজ্যখনত সংঘটিত তিনিটা গোচৰ 'নিয়া'লৈ হস্তান্তৰ কৰা হৈছে। এই তিনিটা গোচৰ নিয়াই তদন্ত চলাব। গোচৰ তিনিটাৰ ভিতৰত আছে চিআৰপিএফ আৰু কুকি উগ্ৰপন্থীৰ মাজত জিৰিবামত সংঘটিত সংঘৰ্ষত ১০ কুকি উগ্ৰপন্থী নিহত হোৱা গোচৰ। এনেদৰে কুকি উগ্ৰপন্থীৰ দ্বাৰা অপহৃত মেইটেই পৰিয়ালৰ ৬ সদস্যৰ হত্যাৰ গোচৰটোও 'নিয়া'ই তদন্ত কৰিব।

# দ্বিতীয় বাৰ্ষিক ‘গন্ধৰ্ব নাট মহোৎসৱ’




ৰঙিলী বাৰ্ত্তাসেৱা- মালিগাঁৱৰ বৰিপাৰাস্থিত অভিনয় আৰু সংগীত প্ৰতিষ্ঠান ‘গন্ধৰ্ব’ৰ বিংশতিতম বৰ্ষপূৰ্তি উপলক্ষে অহা ৬ আৰু ৭ ডিচেম্বৰ, ২০২৪ তাৰিখে দুদিনীয়াকৈ দ্বিতীয় বাৰ্ষিক “গন্ধৰ্ব নাট মহোৎসৱ” মালিগাঁৱৰ বৰিপাৰাস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া প্ৰেক্ষাগৃহত আয়োজন কৰিছে বুলি অনুষ্ঠানটিৰ সভাপতি গৌতম কুমাৰ আৰু সম্পাদক ধ্ৰুৱজ্যোতি কুমাৰে এক প্ৰেছ বিজ্ঞপ্তিৰ যোগে জনাইছে। প্ৰথম নিশাৰ নাট্য সন্ধিয়াটি বিখ্যাত শিল্পী সুদক্ষিণা শৰ্মাৰ সোঁৱৰণত ‘গন্ধৰ্ব’ৰ স্ব-প্ৰযোজনাত হিমজ্যোতি বৈশ্যৰ ৰচনা আৰু ধ্ৰুৱজ্যোতি কুমাৰৰ পৰিচালনাত নাটক ‘দৃষ্টান্ত’, আৰু বিশিষ্ট নাট্যকাৰ নৰেন পাটগিৰিৰ ৰচনা আৰু পৰিচালনাত ভাৰতীয় গণনাট্য সংঘৰ প্ৰযোজনাত নাটক ‘প্ৰিয়বন্ধু’ সন্ধিয়া ৬.৩০ বজাৰ পৰা মঞ্চস্থ কৰাৰ লগতে দ্বিতীয় নিশাৰ নাট্য সন্ধিয়াটি অভিনেতা জয়ন্ত দাসৰ সোঁৱৰণত নটসূৰ্য, গুৱাহাটীৰ প্ৰযোজনাত নাট্যকাৰ অভিজিৎ ৰঞ্জন ভট্টাচাৰ্য্যৰ ৰচনা আৰু মন্মথ বৰুৱাৰ পৰিচালনাত নাটক ‘হালধীয়া মানুহ’ সন্ধিয়া ৬.৩০ বজাত মঞ্চস্থ কৰা হব। নাট মহোৎসৱৰ লগত সঙ্গতি ৰাখি পোন প্ৰথমবাৰৰ বাবে ‘গন্ধৰ্ব’ই প্ৰকাশ কৰি উলিওৱা বিশিষ্ট সাংস্কৃতিক সাংবাদিক তথা লেখক অতুল মজুমদাৰৰ ‘নাট্য প্ৰবাহ’ নামৰ গ্ৰন্থখনি উন্মোচন কৰিব নাট্যকাৰ নৰেন পাটগিৰিয়ে প্ৰথম নিশাৰ নাট্য সন্ধিয়াটিত। দ্বিতীয় নিশা অৰ্থাৎ (দহ পৃষ্ঠাত চাওক)

# বিলাসীপাৰাত গুৱাহাটীৰ নিখোজ বোৱাৰীৰ অৰ্ধগলিত মৃতদেহ উদ্ধাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- এমাহ পূৰ্বে অতি নৃশংসভাৱে হত্যা কৰি পুতি থোৱা এগৰাকী বোৱাৰীৰ অৰ্ধগলিত মৃতদেহ গুৱাহাটী, বিলাসীপাৰা আৰু চাপৰ আৰক্ষীয়ে এক্সকেভেটৰেৰে খান্দি গাঁতৰ পৰা উদ্ধাৰ কৰে। জানিব পৰা মতে, চাৰি বছৰ পূৰ্বে টোকৰাবান্ধাৰ নটেয়া গাঁৱৰ ৰফিকুল ইছলামে দক্ষিণ শালমাৰাৰ পাটাকাটা গাঁৱৰ ৰমেনা খাতুনৰ লগত বিবাহ পাশত আবদ্ধ হয়। তেতিয়াৰে পৰা ৰফিকুলে পত্নীক লৈ গুৱাহাটী মহানগৰীৰ শান্তিপুৰত থাকিবলৈ লয়। মহানগৰীত ৰফিকুলে ই-ৰিক্সা চলাই সুখৰ সংসাৰ কৰিবলৈ লয়। কিছুদিন পিছৰে পৰা যুৱকজনে মাহেকীয়া লটাৰী খেলৰ লগত জড়িত হৈ পৰে। বহুতৰ ওচৰত লটাৰী খেলৰ টিকট বিক্ৰী ৰফিকুল ইছলামৰ পত্নী ৰমেনা খাতুন বিগত এমাহে সন্ধানহীন হৈ পৰে। ৰমেনাৰ পিতৃগৃহৰ লোকে বহুত বিচাৰ-খোচাৰ কৰি সন্ধান উলিয়াব নোৱাৰিলে। পিছত ৰমেনাৰ মাতৃয়ে গুৱাহাটীৰ ভৰলুমুখ থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰৰ ওপৰত ভিত্তি কৰি আৰক্ষীয়ে ১৮৮/২০২৪ নম্বৰৰ বিপৰীতে ভাৰতীয় ন্যায় সংহিতাৰ ১৪০(৪)/১৪২/২৪৯(চি) নং ধাৰাত এটা গোচৰ ৰজু কৰি তদন্ত আৰম্ভ কৰে। বোৱাৰীগৰাকী সন্ধানহীন হোৱাৰ প্ৰকৃত কাৰণ তদন্ত কৰিবলৈ গৈ আৰক্ষীয়ে ৰফিকুলৰ ভাতৃ হাবিজুল ইছলামৰ লগতে (দহ পৃষ্ঠাত চাওক)

# আইপিএছ পাৰ্থসাৰথি মহন্তক সন্মানীয় ফেল’ নিযুক্তি আইআইটিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ স্পেচিয়েল টাস্ক ফ’ৰ্ছ চমুকৈ এছ টি এফৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি অহা মহাপৰিদৰ্শক ড° পাৰ্থসাৰথি মহন্তক আই আই টিৰ চেণ্টাৰ ফৰ ইণ্ডিয়ান নলেজ ছিষ্টেমে সন্মানীয় ফেল’ হিচাপে নিযুক্তি দিছে । ড° পাৰ্থসাৰথি মহন্তই এই প্ৰতিষ্ঠানৰ মৰ্যাদাপূৰ্ণ প্ৰকল্প ‘পণ্ডিত হেমচন্দ্ৰ গোস্বামী মিছন ফৰ পপুলাৰাইজেছন অব ছায়েন্স এণ্ড আছামিজ কালচাৰ’ৰ প্ৰতি সক্ৰিয় অৰিহনা আগবঢ়াব। অসমীয়া সংস্কৃতি আৰু শিক্ষা জগতৰ পুৰোধা পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ নামত নামকৰণ কৰা এই মিছনে অসমৰ স্কুল আৰু কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক STEM (Science. Technology, Engineering and Mathmatics) শিক্ষাক আঁকোৱালি লোৱাত উদ্‌গনি যোগাব। সমান্তৰালভাৱে এই মিছনে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ভাষা-সংস্কৃতি আৰু সাহিত্যৰ প্ৰতি অনুৰাগী কৰি তুলিব। ড° পাৰ্থসাৰথি মহন্তৰ নেতৃত্ব আৰু পৰিকল্পনাত এই প্ৰকল্পৰ অধীনত STEM ৰ বিষয় সন্দৰ্ভত উদ্ভাবনী চিন্তা, উৎসুকতা বৃদ্ধি, অসমীয়া ঐতিহ্যক সংৰক্ষণ আৰু উদযাপনৰ বাবে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন, শৈক্ষিক প্ৰতিষ্ঠানৰ সহযোগত বিজ্ঞান শিক্ষা আৰু সাংস্কৃতিক বুজাবুজিৰ মাজত সাকো গঢ়াৰ আদি বিষয়ৰ কৰ্মশালা, আলোচনাচক্ৰ আদি অনুষ্ঠিত কৰিব। আমেৰিকাৰ প্ৰতিষ্ঠিত চিকিৎসক, পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ নাতি তথা পণ্ডিত হেমচন্দ্ৰ গোস্বামী ফাউণ্ডেচেনৰ অধ্যক্ষ ড° নৱ গোস্বামীয়ে এই প্ৰকল্প আৰম্ভ কৰিছে। চেন্টাৰ ফৰ ইণ্ডিয়া ন’লেজ ছিষ্টেমৰ মুৰব্বী অধ্যাপক উদয় এছ দীক্ষিতে এই প্ৰকল্পৰ প্ৰধান ইনভেস্টিগেটৰ হিচাপে সেৱা আগবঢ়াইছে। ৰাজহুৱা জীৱনত উল্লেখনীয় সেৱা আগবঢ়োৱা আৰু সমাজৰ উন্নয়নত আগবঢ়োৱা অৰিহণাৰ বাবে ড° পাৰ্থসাৰথি মহন্তক এই প্ৰকল্পৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব প্ৰদান কৰা হৈছে। এই প্ৰকল্পত ড° মহন্তৰ অংশীদাৰিত্বই বিজ্ঞান আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত ব্যুৎপত্তি থকা শিক্ষাৰ্থীসকলক অধিক আগ্ৰহী কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে পাৰ্থসাৰথি মহন্তই আৰক্ষীত বিভিন্ন পদক লাভ কৰাৰ সমান্তৰালভাৱে বিগত সময়ত চলচ্চিত্ৰ পৰিচালনাৰ বাবে কেইবাটাও সন্মানীয় ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে ।

# শ্ৰীভূমি হ’ব কৰিমগঞ্জ জিলাৰ নাম




ৰঙিলী বাৰ্ত্তাসেৱা- মঙলবাৰে জনতা ভৱনত সম্পন্ন হয় অসম চৰকাৰৰ কেবিনেট বৈঠক। এই কেবিনেট বৈঠকতে ৰাজ্যৰ যিসমূহ গাঁও, চহৰ-নগৰৰ নামৰ ঐতিহাসিক পটভূমি নাই, তেনে গাঁও, চহৰ-নগৰৰ নাম সলনি কৰাৰ বাবে ইতিপূৰ্বে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰিয়েই কৰিমগঞ্জ জিলাৰ নাম সলনি কৰি শ্ৰীভূমি জিলা হিচাপে নামকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যিক কেবিনেটৰ এই সিদ্ধান্ত সন্দৰ্ভত সবিশেষ সদৰী কৰি উল্লেখ কৰে যে ঐতিহ্যৰ চানেকি, পৰম্পৰা নথকা তথা সামাজিক দৃষ্টিত ভাল শব্দ নথকা ৰাজ্যৰ গাঁও, নগৰ-চহৰসমূহৰ নাম সলনি কৰি আহিছে চৰকাৰে। এই শৃংখলাক আগুৱাই নি কৰিমগঞ্জ জিলাক শ্ৰীভূমি জিলা হিচাপে নামকৰণৰ সিদ্ধান্ত লয় ৰাজ্য চৰকাৰে। উল্লেখ্য যে ৰাজ্যৰ একেবাৰে দক্ষিণপাৰত অৱস্থিত কৰিমগঞ্জ জিলাৰ নামটোৰ কোনো ঐতিহাসিক পটভূমি নাই অথবা ইয়াৰ অৰ্থও অভিধানত পাবলৈ নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই প্ৰসংগতে উল্লেখ কৰে যে কৰিমগঞ্জ জিলাৰ প্ৰাচীন গৌৰৱ পুনৰ উদ্ধাৰৰ লক্ষ্যৰে ইয়াৰ নাম শ্ৰীভূমি কৰা হৈছে। কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে ১৯১৯ চনত তদানীন্তন চিলেট জিলা ভ্ৰমণ কৰাৰ সময়ত বৰ্তমানৰ কৰিমগঞ্জ ত উপস্থিত হৈ সমগ্ৰ অঞ্চলটোক সুন্দৰী শ্ৰীভূমি বুলি উল্লেখ কৰিছিল। অবিভক্ত ভাৰতৰ ভৌগোলিক এই স্থানটোক শ্ৰীভূমি নাম দিয়া কবিগুৰুৰ সপোনৰ প্ৰতি সন্মান জনাই কেবিনেটে কৰিমগঞ্জ ৰ নাম পৰিৱৰ্তন কৰি শ্ৰীভূমি জিলা হিচাপে নামকৰণ কৰে। মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে এই সিদ্ধান্ত খৰধৰকৈ লোৱা সিদ্ধান্ত নহয়। যোৱা সময়ছোৱাত এই সন্দৰ্ভত বিভিন্ন আলোচনা তথা সাংসদ-বিধায়কৰ পৰামৰ্শৰ ভিত্তিত জিলাখনৰ নাম সলনি কৰা হৈছে।

# অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে ভাৰতীয় দল ঘোষণা



ৰঙিলী বাৰ্ত্তাসেৱা- অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখনীয়া এদিনীয়া মেচৰ শৃংখলাৰ বাবে ঘোষণা কৰা হৈছে ১৬জনীয়া ভাৰতীয় মহিলা দলটো। মঙলবাৰে ঘোষণা কৰা দলটোত স্থান লাভৰ পৰা বঞ্চিত হৈছে শ্বেফালি বাৰ্মা। দুৰ্বল ফৰ্মৰ বাবে শ্বেফালিক বাদ দিয়া হৈছে দলৰ পৰা। তদুপৰি ব’ৰ্ড পৰীক্ষাৰ বাবে নিউজিলেণ্ডৰ বিৰুদ্ধে ঘৰুৱা শৃংখলাত ভাগ লোৱাৰ পৰা বিৰত থকা ৰিচা ঘোষে প্ৰত্যাবৰ্তন কৰিছে দললৈ। এই এদিনীয়া শৃংখলাৰ বাবে ৪গৰাকী বেটছমেন ক্ৰমে প্ৰিয়া পুনিয়া, হাৰলীন দেওল, মীন্নু মণি আৰু তিতাছ সাধুক দলত অন্তৰ্ভুক্ত কৰা হৈছে । খেলসমূহ ৫, ৮ আৰু ১১ ডিচেম্বৰত ব্ৰীজবেন আৰু পাৰ্থত অনুষ্ঠিত হ’ব। ডি হেমলতা আৰু শ্ৰেয়ংকা পাটিলৰ লগতে আশা শোভানাই আঘাতৰ বাবে দলত স্থান লাভৰ পৰা বঞ্চিত হয়। ঘোষিত ভাৰতীয় মহিলা দলটো-হৰমনপ্ৰীত কৌৰ (অধিনায়ক), স্মৃতি মন্ধানা, প্ৰিয়া পুনিয়া, জেমিমা ৰ’ড্ৰিগুৱেজ, হাৰ্লিন দেউল, য়াস্টিকা ভাটিয়া, ৰিচা ঘোষ, তেজাল হাচাবনিছ, দীপ্তি শৰ্মা, মিন্নু মণি, প্ৰিয়া মিশ্ৰ, ৰাধা যাদব, তিতাস সাধু, অৰুন্ধতী ৰেড্ডী আৰু ৰেণুকা সিং ঠাকুৰ।

# ভাৰতীয় সংবিধানঃ দেশৰ সৰ্ব্বোচ্চ আইন




**এহিয়া আহমেদ, মৈৰাবাৰী**

ভাৰতৰ সংবিধান হৈছে দেশৰ আইনৰ পটভূমি, যিয়ে সমগ্ৰ দেশক একত্ৰিত কৰি ৰাখে আৰু গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ, সমাজবাদী হিচাপে দেশখনৰ মূল স্তম্ভ। ভাৰতীয় সংবিধানে দেশৰ প্ৰতিজন নাগৰিকৰ অধিকাৰ, দায়িত্ব, আৰু ৰাজনৈতিক ক্ষেত্ৰত অংশগ্ৰহণৰ অধিকাৰ প্ৰদান কৰি গণতন্ত্ৰৰ পৰিপূৰ্ণ মৰ্যাদা ৰাখিছে। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধানখন আনুষ্ঠানিকভাৱে কাৰ্যকৰী হৈছিল, আৰু এই দিনটো 'গণতন্ত্ৰ দিৱস' হিচাপে ভাৰতত প্ৰতি বছৰে উদযাপন কৰা হয়।

সংবিধানখন প্ৰস্তুত কৰাটো এক দীঘলীয়া প্ৰক্ৰিয়া আছিল। সংবিধান সভাৰ অধিবেশন ১৯৪৬ চনত আৰম্ভ হৈছিল, আৰু প্ৰায় তিনিবছৰ ধৰি বৈঠকৰ পৰম্পৰাৰ মাধ্যমত সংবিধানৰ খচৰা প্ৰস্তুত কৰা হৈছিল। এই প্ৰস্তুতিত ড° ভীমৰাও আম্বেদকাৰৰ নেতৃত্বত গঠিত সমিতিয়ে সংবিধান খনৰ দিশ নিৰ্দেশনা আগবঢ়াইছিল। মুঠ ২৯৯ গৰাকী সদস্যৰ সমিতিয়ে বিভিন্ন ধাৰা আৰু বিধান সমূহৰ ওপৰত মতামত আগবঢ়াইছিল। সংবিধানখনৰ চূড়ান্ত খচৰা ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গৃহীত কৰা হয়, আৰু এই দিনটো "সংবিধান দিৱস" হিচাপেও পালন কৰা হয়।

ভাৰতীয় সংবিধানৰ মূল বৈশিষ্টসমূহ হল-

১) মৌলিক অধিকাৰ: সংবিধানৰ ভিতৰত ছয়টা মৌলিক অধিকাৰ অন্তৰ্ভুক্ত হৈছে -

- স্বাধীনতাৰ অধিকাৰ,
- সমতাৰ অধিকাৰ,
- ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ,
- শিক্ষাৰ অধিকাৰ,
- সাংস্কৃতিক অধিকাৰ,
- শোষণৰ পৰা সুৰক্ষাৰ অধিকাৰ।

এই অধিকাৰসমূহে সকলো নাগৰিকৰ ওপৰত সমান হকে প্ৰযোজ্য হয় আৰু ব্যক্তি স্বাধীনতা ৰক্ষা কৰে।

২) মৌলিক দায়িত্ব: ১৯৭৬ চনৰ ৪২সংখ্যক সংবিধান সংশোধনৰ জৰিয়তে মৌলিক দায়িত্বৰ প্ৰৱৰ্ত্তন কৰা হৈছিল। ইয়াত দেশৰ নাগৰিকৰ ওপৰত পৰিৱেশৰ সুৰক্ষা, ঐতিহ্যৰ ৰক্ষা আৰু সামাজিক সাম্যৰ উন্নতিৰ দায়িত্ব স্থাপন কৰা হৈছে।

৩) ৰাজ্যৰ নীতিৰ পৰামৰ্শমূলক ধাৰা: সংবিধানৰ ৩৬-৫১ ধাৰা অনুযায়ী সামাজিক, অৰ্থনৈতিক, আৰু পৰিৱেশিত নীতিসমূহ সংযুক্ত কৰা হৈছে। এই ধাৰাসমূহে ভাৰতীয় ৰাজনীতিৰ মৌলিক উদ্দেশ্যসমূহ প্ৰতিনিধিত্ব কৰে।

৪) কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক: ভাৰত এক সন্মিলিত দেশ আৰু ইয়াৰ সংবিধানে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত আইন তৈয়াৰ, শাসনৰ প্ৰণালী, আৰু প্ৰশাসনিক ক্ষমতাৰ ক্ষেত্ৰত স্পষ্ট বিভাজন ৰাখিছে। সংবিধানৰ শাসনত তিনিটা তালিকা আছে- কেন্দ্ৰীয় তালিকা, ৰাজ্যিক তালিকা আৰু সৰ্বজনীন তালিকা।

৫) সংবিধান সংশোধনযোগ্যতা: ভাৰতীয় সংবিধান সময়ৰ প্ৰয়োজন অনুসৰি পৰিৱৰ্তন কৰিব পৰা যায়। ৩৬৮ ধাৰাৰ অধীনত সংসদে সংবিধান সংশোধন কৰিব পাৰে, যদিও মৌলিক কাঠামো সুৰক্ষিত ৰাখিব লাগে। এই সংশোধনযোগ্যতাৰ মাধ্যমেৰে সংবিধানখন পৰিবৰ্তনশীল আৰু সময়োপযোগী ৰাখিব পৰা যায়।

সংবিধানৰ কাৰ্যক্ষমতা আৰু ভূমিকা-

সংবিধানৰ কাৰ্যক্ষমতা আমাৰ ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক জীৱনত অতিশয় গুৰুত্বপূৰ্ণ। ইয়াৰ মাধ্যমেৰে গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ উন্নতি ঘটে, যিয়ে ভাৰতক এক গণতান্ত্ৰিক শাসন ব্যৱস্থাৰে পৰিচালিত কৰে। সংবিধানে প্ৰতিজন নাগৰিকৰ মূল্য আৰু অধিকাৰক সন্মান জনাই এক সমাজ গঠনৰ পৰিকল্পনা আগবঢ়াইছে, য'ত জনতাৰ সুৰক্ষা, উন্নতি, আৰু ন্যায়ৰ ওপৰত ভিত্তি স্থাপন কৰা হৈছে।

ভাৰতীয় সংবিধান এক পূৰ্ণাঙ্গ আৰু জটিল নথি হ'লেও, ই আমাৰ সামাজিক আৰু ৰাজনৈতিক জীৱনক এক মজবুত মজিয়া প্ৰদান কৰে। সংবিধানখন মাথোঁ আইনৰ বিধান নহয়, ই ভাৰতৰ ঐক্য, শৃংখলা, আৰু গণতান্ত্ৰিক মানসিকতাক প্ৰতিনিধিত্ব কৰে। দেশৰ সকলোৰে সমানে অধিকাৰ, স্বাধীনতা, আৰু দায়িত্ব বোধেৰে চলাটোৱে সংবিধানৰ পূৰ্ণতা স্বীকাৰ কৰে।

# চিন্তাধাৰা যিমানেই সুন্দৰ নহওক, জগতে কেৱল প্ৰদৰ্শনৰ ওপৰতে বিশ্বাস কৰে




**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

আমি প্ৰায়বোৰ মানুহে মনতে হয়তো বেচি ভাগ ক্ষেত্ৰতে এটা কথা সদায় আকলন বা অনুমান লগাই থাকো যে, এজন মানুহৰ বাহ্যিক প্ৰদৰ্শন যেনেকুৱা প্ৰকৃত অৰ্থত সেই মানুহ জনৰ বা সেই মানুহ জনীৰ আন্তৰিক গতিবিদী বা আন্তৰিক চিন্তাধাৰাবোৰ ঠিক হুবহু একে প্ৰকাৰৰ বহিঃপ্ৰকাশ হোৱা দেখিবলৈ পোৱা যায়। কিন্তু এনেধৰণৰ চিন্তাধাৰা কেৱল আংশিক ভাবেই সত্য বুলি কব পাৰি। কিয়নো এজন মানুহৰ বাহ্যিক গতিবিদী সমুহক লৈ সেই মানুহৰ মনস্থিতি কেতিয়াও আকালন কৰি লোৱাটো সম্ভৱপৰ নহয়। বৰ্তমান সময়ত বেছিভাগে আমি আৰ্থিকভাবে মজবুত আৰু উচ্চ পৰিয়াল জন্ম গ্ৰহণ কৰি উচ্চ শিক্ষাৰ জৰিয়তে শিক্ষিত এজন লৰা বা ছোৱালীৰ সমাজৰ আগত প্ৰদৰ্শন কৰি অহা এক সুন্দৰ চৰিত্ৰবোৰৰ জৰিয়তে আমি সকলোৱে অতি সহজে এজন ভাল মানুহ বা এজন ভাল নাগৰিকৰ শাৰীত থিয় কৰিবলৈ কুণ্ঠাবোধ নকৰোঁ। কাৰণ আমি জগতৰ আগত কৰা প্ৰদৰ্শন সমুহৰ ওপৰত নিৰ্ভিৰশিল হৈ এনেধৰণৰ চিন্তাধাৰাৰ উদ্ভাৱন কৰি লোৱাটো একেবাৰে সামান্য। আনহাতে একেবাৰে দৰিদ্ৰ বা সামান্য ধৰণৰ পৰিয়ালত জন্মগ্ৰহণ কৰি একেবাৰে সাধাৰণ ধৰণৰ শিক্ষাৰ মাধ্যমেৰে শিক্ষিত যুৱক বা যুৱতীয়ে অতীততে কৰা একেবাৰে নগন্য সৰু সৰু অনৈতিক ধৰণৰ কাৰ্যকলাপক সমুহ দেখি আমি অতি সহজে সেইবোৰ যুৱক-যুৱতীৰ এক অন্ধকাৰময় ভবিষ্যতৰ আকলন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰোঁ। কিন্তু জীৱন চক্ৰৰ চক্ৰবেহু বৰ জটিল। সেয়েহে আমি কেৱল এইসংসাৰত আহি কেৱল একেটাই ভুল বাৰে বাৰে পুনৰাবৃত্তি কৰি থাকোঁ যে, এজন মানুহৰ বাহ্যিক সুন্দৰতা বা বাহ্যিকভাবে কিছু বেয়া দিশবোৰ উজাগৰ হলেই আমি সন্তেক সময়ো পলম নকৰাকৈ সেই মানুহ গৰাকীৰ জীৱন বিত্তান্ত গাই ফুৰিব বিচাৰোঁ। কিয়নো সচৰাচৰ সৰ্বসাধাৰণ মানুহৰ প্ৰায় একেটাই মনোভাৱ থাকে যে, এজন মানুহৰ চিন্তাধাৰা যিমানেই সুন্দৰ নহওক, জগতে কেৱল পদৰ্শনৰ ওপৰতে বিশ্বাস কৰে। কিন্তু আপুনি যদি সচাঁকৈয়ে বুদ্ধিয়ক তেন্তে বৰ বেচিকৈ বাহ্যিক প্ৰদৰ্শন ওপৰত জোৰ প্ৰদান নকৰি কেৱল কিছু অপেক্ষাৰ অন্ততঃ এজন মানুহৰ মনস্থিতিৰ বিষয়ে আকলন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰক। কাৰণ হাতী এটাৰ সদায় দেখুওৱা দাতবোৰ বেলেগে থাকে আৰু খাদ্যবোৰ চোবাই খোৱা দাতবোৰ বেলেগকৈ থাকে। সেয়েহে বাহ্যিক পদৰ্শনৰ লগতে এজন মানুহৰ চিন্তাধাৰৰ ওপৰত সমানেই মনযোগ দিয়াটো উচিত হব।

# ৰদালি

**ৰাজলক্ষ্মী বৰঠাকুৰ,দেৰগাঁও**



আন্ধাৰ বিনাশি
পুৱাৰ সূৰুযে
ভুমুকি মাৰিলে,
আগ চোতালৰ
দুবৰি দৰাত
পৰি ৰোৱা
নিয়ৰ কণাত
সোণবৰণীয়া ৰ'দ জাক পৰি
মুকুতা মালা হৈ
জিলিকি উঠিছে।
শীতেৰে সেমেকাই
ৰখা মনটো
পুৱাৰ ৰদ জাকে
ফৰকাল কৰি তুলিছে
কাঁচিয়লি ৰদত বহি
আইতাই নাতি-নাতিনীৰ লগত
সাধুকথাৰ পোহাৰ মেলিছে।

যোৱাখণ্ডৰ পৰা...

# তোমাৰ উশাহ কঁহুৱা কোমল


জ্যোতি খাটনিয়াৰ



(ইজৰাইল - হামাছৰ শেহতীয়া সংঘাত যাৰ ফলত বহু হাজাৰ লোকৰ মৃত্যু হৈছে, বহু লোক গৃহহাৰা হৈছে।) সভ্যতাৰ সৈতে জড়িত এনে কথাৰ বাবেও সভ্য মানুহৰ যন্ত্ৰণাৰ সন্মুখীন হয়। ফ্ৰয়ডে নিজৰ ১৯৩০ ৰ ৰচনা 'Civilisation and its Discontents' ত এই বিষয়ে বিস্তৃত আলোচনা কৰিছে। উল্লেখ্য যে ফ্ৰয়ডৰ চিন্তা চৰ্চাক ভাৰতীয় মানসিকতাক বুজাৰ ক্ষেত্ৰত বা ভাৰতীয় ৰোগীৰ চিকিৎসা কৰাৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি নে নোৱাৰি, এই বিষয়ত ১৯২০ ৰ দশকতে ব্যাপক ভাৱে আলোচনা কৰা হৈছিল। এই আলোচনাৰ আৰম্ভণি কৰি ভাৰতৰ বিখ্যাত মনোবিজ্ঞানী গিৰীন্দ্ৰশেখৰ বসুয়ে (উৎস - The Genesis and the Adjustment of the Oedipus Wish: ৩০ ছেপ্টেম্বৰ, ১৯২৮)। মনোবিজ্ঞানী বসুয়ে এজন ব্যক্তিক আনসকলৰ পৰা আঁতৰি থকা সত্তা বুলি ভবা নাছিল। বসুৰ মতে এজন ব্যক্তি নিসংগ নহয়। বসুৰ মতে তেওঁ জীৱনৰ সৈতে, গছ-গছনিৰ সৈতে, জন্তুৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে। বসুয়ে ফ্ৰয়ডীয় চিন্তাৰ দুটা দিশ ভাৰতৰ প্ৰসংগত প্ৰয়োগ নহয় বুলি স্পষ্ট কৰি দিয়ে। এটা হ'ল castration fear আৰু আনটো হ'ল penis envy। তেওঁ কয় যে তেওঁ যিমান ভাৰতীয় মানসিক ৰোগীক লগ পাইছে, তেওঁলোকৰ মাজত এই দুটা কথা তেওঁ লক্ষ্য কৰা নাই। ইয়াৰ দ্বাৰা তেওঁ ভাৰতীয় মনোবিশ্লেষণৰ পাতনি মেলে। গিৰীন্দ্ৰশেখৰ বসুয়ে কয় যে ভাৰতীয় পুৰুষ ৰোগীসকলৰ মাজত তেওঁ মহিলাৰ কিছু বেশ বিচাৰি পাইছে: "The desire to be female is more easily unearthed in Indian male patients than in Europe." ফ্ৰয়ডক বসুয়ে এই সকলো কথা বিভিন্ন সময়ত পত্ৰযোগে অৱগত কৰাইছিল। ফ্ৰয়ডে ইয়াৰ উত্তৰো দিছিল। বসুয়ে আনকি কেৰেলাত নিৰ্মিত বিষ্ণুৰ মূৰ্তি এটাও ফ্ৰয়ডলৈ প্ৰেৰণ কৰিছিল। কিছুদিনৰ পাছত এই মূৰ্তিটোত ফাঁট মেলিছিল আৰু ফ্ৰয়ডে ৰগৰ কৰি কৈছিল যে ভিয়েনাৰ জলবায়ুক কলিকতাৰ এই মূৰ্তিয়ে সহ্য কৰিব পৰা নাই। ৰামকৃষ্ণ পৰমহংসৰ জীৱন আৰু কৰ্মলৈ বিখ্যাত লেখক ৰোমা ৰোঁলাই ফ্ৰয়ডৰ মনোযোগ কেইবাবাৰো আকৰ্ষণ কৰিছিল। ফ্ৰয়ডৰ মতে তিনিটা কাৰণত ভাৰতীয় চিন্তাক অনুধাৱন কৰাটো তেওঁৰ বাবে জটিল হৈছে। প্ৰথম কাৰণটো হ'ল প্ৰাচীন গ্ৰীকসকলৰ মাজত জোখ মাখৰ নিখুঁততাই তেওঁৰ মনত পেলোৱা গভীৰ প্ৰভাৱ। যিটো আমি পাছত মথুৰা আৰু গান্ধাৰ শিল্পত দেখা পাওঁ। দ্বিতীয়টো হ'ল ইহুদীসকলৰ নম্ৰতা। আৰু তৃতীয়টো হ'ল সংগীত আদি কলাৰ প্ৰতি ফ্ৰয়ডৰ মনত থকা বিৰাগ। ইয়াক তেওঁ philistine anxiousness বুলি অভিহিত কৰিছিল। কিন্তু তেওঁ এইখন পৃথিৱী অৰ্থাৎ ভাৰতীয় চিন্তাৰ ফলাফলসমূহ জনাৰ চেষ্টা কৰা উচিত বুলি তৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াই গৈছে।

পৰৱৰ্তী সময়ৰ ভাৰতীয় মনোবিজ্ঞানীসকলে স্পষ্ট কৰি দিয়ে যে পশ্চিমত আত্মা এটা স্বতন্ত্ৰ ধাৰণা; ভাৰতীয় চিন্তাত আত্মা বিয়পি থাকে আৰু ই অসীমত বিলীন হৈ যাব পাৰে। ভাৰতীয় চিন্তাৰ এটা বিখ্যাত উক্তি হ'ল: " ময়ে ব্ৰহ্ম" " অহং ব্ৰহ্ম"। উল্লেখ্য যে ফ্ৰয়ডে জাপানী মনোবিজ্ঞানী Yaekichi Yebe ক ১৯৩০ চনত লগ পাওঁতে ফ্ৰয়ডে মৃত্যু প্ৰৱণতাক বৌদ্ধ চিন্তাৰ নিৰ্বাণৰ সৈতে সম্পৰ্কিত কৰিছিল। ফ্ৰয়ডীয় চিন্তাত প্ৰভাৱশীল সপোনৰ বিশ্লেষণৰ ধাৰণাৰে ছালভাডৰ ডালিয়ে 'The Persistence of Memory' (১৯৩১) নামৰ ছবিখন আঁকি উলিয়ায়। এই ছবিখনৰ ওপৰত ভিত্তি কৰিয়ে অসমীয়া সংগীতৰ এক অমৰ সৃষ্টি (সময় ঘড়ীৰ প্ৰতিটো পল যেন গলি গলি গ'ল) ৰচনা হয়। একেদৰে ফ্ৰয়ডৰ শিষ্য আৰু পৰৱৰ্তী সময়ত তেওঁৰ পৰা সম্পূৰ্ণৰূপে বিচ্ছিন্ন হোৱা কাৰ্ল গুস্তাভ য়ুঙৰ সামূহিক অৱচেতন (collective unconscious) আৰু আদিৰূপ ( archetype) ৰ ধাৰণাৰেও পৃথিৱীৰ বহু বিখ্যাত শিল্পক আলোচনা কৰিব পৰা যায়। উদাহৰণ স্বৰূপে বেণু মিশ্ৰৰ 'ডেথ' শীৰ্ষক ছবি, অতুল চন্দ্ৰ বৰুৱাৰ 'মুখবোৰ' শীৰ্ষক ছবি, ননী বৰপূজাৰীৰ 'ভোকাতুৰ চকীখন', বীৰেন সিংহৰ 'চিঞৰ' শীৰ্ষক ব্ৰঞ্জৰ ভাস্কৰ্য, বন্তি শেনচোৱাৰ 'স্থায়ী অন্তৰা' নামৰ গল্প, ডাঃ সুৰেশ চক্ৰৱৰ্তীৰ এজাক সপোন যেন বৰষুণত সন্নিবিষ্ট কিছু গল্প, ইত্যাদি। একেদৰে ফ্ৰয়ডৰ চিন্তাৰ আলোকত চাব পাৰি ডঃ নগেন শইকীয়াৰ 'পৰ্দা' নামৰ গল্পটো। মনোবিজ্ঞানী ভিক্টৰ ফ্ৰেংকেলৰ চিন্তাৰ আঁৰেৰে চাব পাৰি হোমেন বৰগোহাঞিৰ 'হাতী', সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি', হৰেকৃষ্ণ ডেকাৰ মধুসূদনৰ 'দলং', আদি গল্প। ডাঃ সুৰেশ চক্ৰৱৰ্তীৰ 'নিঃসন্তান' নামৰ গল্পটো ভিক্টৰ ফ্ৰেংকেল আৰু মনোবিজ্ঞানী এলফ্ৰেড এডলাৰৰ feeling of belonging আৰু relationship within the family মাজেৰেই চালি জাৰি চোৱাৰ সুবিধা আছে। ফ্ৰয়ডৰ চিন্তাক লৈ মহিলা মনস্তত্ত্ববিদ সকলৰ প্ৰায় তেওঁৰ জীৱন দশাতেই আপত্তি আছিল, যেনে কেৰেন হাৰ্নে (দ্ৰষ্টব্য: The Neurotic Personality of our Time)। তেওঁৰ মতে মহিলা আৰু পুৰুষৰ মনোজগতত কোনো পাৰ্থক্য নাই। এয়া সমাজ আৰু সংস্কৃতিৰ ধাৰণা আৰু আদৰ্শৰ সৈতে সহাৱস্থান কৰিবলৈ যাওঁতে সৃষ্টি হোৱা বেমেজালিৰ পৰা উদ্ভৱ হোৱা এক অৱস্থা। মনত পৰে জাঁ পল ছাৰ্ত্ৰৰ সহযোগী ছিমো দ্য বভাৰ বিখ্যাত উক্তিটোলৈ "One is not born, but rather becomes, a woman"। একেদৰে ফ্ৰয়ড -য়ুঙৰ চিন্তাৰ পোহৰত বিভিন্ন চিনেমা দৰ্শকৰ মাজলৈ আহিছে। যেনে ইংগ্মাৰ বাৰ্গমেনৰ বিখ্যাত চিনেমা 'দ্য ছাইলেন্স'। দুগৰাকী নাৰী, এটা শিশু। এগৰাকী নাৰী সংবেদনশীলতা আৰু যুক্তিৰ বাহিৰৰ পৃথিৱীখনৰ দ্বাৰা পৰিচালিত। আনগৰাকী নাৰী সংযত আৰু সাহিত্যিক গুণেৰে সমৃদ্ধ। তেওঁলোক এখন ৰেলেৰে চহৰলৈ গৈছে। এখন হোটেলত থাকিছে। চিনেমাৰ এটা দৃশ্যত আমি দেখা পাওঁ এটা টেংক সোমাই আহিছে। নাৰী দুগৰাকী, শিশুটি আৰু টেংক - এই গোটেই আয়োজনটো ফ্ৰয়ডীয় দৃষ্টিৰে বহলাই ব্যাখ্যা কৰিছে বিখ্যাত চিত্ৰ আলোচক চুজান ছন্তাগে। সংবেদনশীলতাৰ এনে জৈৱিক তাড়নাৰ সমান্তৰালভাৱে আছে আধ্যাত্মিক ব্যাখ্যাৰ এখন বহল পৃথিৱী। যীশু খ্ৰীষ্ট আৰু গৌতম বুদ্ধ এই দুখন পৃথিৱীৰ নায়ক। খ্ৰীষ্টিয় চিন্তাৰ আলোকত মাইকেল এঞ্জেলোৰ বিখ্যাত ভাস্কৰ্য 'দ্য পিয়েটা' নিৰ্মিত হৈছে। য'ত মৃত্যুৰ পাছত যীশু খ্ৰীষ্টৰ মৃতদেহক কুমাৰী মেৰীয়ে কোলাত তুলি লৈছে। মাইকেল এঞ্জেলোৰ মূল প্ৰত্যাহ্বান আছিল কিশোৰী মেৰী আৰু বত্ৰিছ বছৰীয়া সন্তান যীশুৰ মুখ দুখন। কৰুণা, উদ্বেগ, পুঞ্জীভূত পীড়া, অশেষ যন্ত্ৰণা মাৰ্বলত কাটি উলিওৱা সহজ নহয়। মাইকেল এঞ্জেলোৱে ১৪৯৯ চনত এই কাম চিৰদিনৰ বাবে সফলতাৰে কৰি থৈ গ'ল। একেদৰে বৰ্তমানৰ পাকিস্তানৰ অন্তৰ্গত স্বাত ভাৰতীয় শিল্পীসকলেও বুদ্ধৰ আলোক প্ৰাপ্তিৰ সমগ্ৰ পৰিৱেশক তাহানিয়ে ধৰি থৈ হৈছে। খ্ৰীষ্টিয়সকলৰ এটা প্ৰধান সমস্যা হ'ল - মৃত্যুৰ পাছত শৰীৰটোৰ কি হয়? ইয়াৰ বিষয়ে তেওঁলোকে eschatology ত বিস্তৃতভাৱে আলোচনা কৰে। ভাৰতীয়সকলৰ চিন্তাত এই সমস্যাটো নাই। কাৰণ ভাৰতীয়সকলৰ বাবে শৰীৰৰ কোনো স্থায়িত্ব নাই। ইয়াত আত্মা আৰু কৰ্মৰ বন্ধনহে অনন্ত প্ৰবাহ। এই সকলোবোৰে মানুহৰ সৃষ্টিশীলতাৰ আঁৰৰ কাৰক আৰু উদ্দেশ্যক চালি জাৰি চোৱাৰ সুযোগ আমাক দিয়ে। একেদৰে ফ্ৰয়ডীয় চিন্তাৰ মাজেৰে ফঁহিয়াই চাব পাৰি ভূপেন হাজৰিকাৰ 'শিলঙৰে গধূলি' বা 'তোমাৰ উশাহ কঁহুৱা কোমল' ৰ দৰে অমৰ সৃষ্টিক। মানুহৰ মনৰ অলিগলিয়ে ভাৱনাৰ নানা তৰংগ। এই তৰংগৰ গঠন আৰু এই গঠনৰ মাজেৰে কলা সংস্কৃতিৰ নিৰ্মাণ সদায়ে ৰহস্য হৈ থাকে। ফ্ৰয়ড, যীশু আৰু বুদ্ধই আমাক একোখনকৈ দুৱাৰ দিছে। আৰু সেইবোৰ দুৱাৰেদি সোমাই গৈ আৰু উলটি আহি কোনে কি ক'ব, সেয়া ব্যক্তিজনৰ ওপৰত নিৰ্ভৰ কৰিব। কাৰণ তেওঁৰ নিজা মনটোৱে আনৰ মনৰ খবৰহে আমাক দিব পাৰিব। নিজেই নিজৰ মনৰ খবৰ দিয়াটো প্ৰায় অসম্ভৱ।

# ভয়ক জয় কৰোঁ আহক





সংযুক্তা দত্ত

ভয়ক জয় কৰাটোৱেই হ'ল মানুহৰ সৰ্বপ্ৰথম কৰ্তব্য।

- কাৰ্লাইল।

জীৱনৰ আটাইতকৈ কঠিন কামটোৱেই হ'ল -ভয়ক জয় কৰা । যিজনে ভয়ক জয় কৰিব পাৰে তেওঁ সকলো কামেই কৰিব পাৰে । সকলো মানুহৰ কিবা নহয় কিবা কামত দক্ষতা নিশ্চয় আছে। সেই দক্ষতা খিনি দেখুৱাবলৈ সাহস নথকাটোৱেই হ'ল ভয়। ভয়ে মানুহক সদায় দমন কৰি ৰাখে। ভয় সদায় মানুহৰ মনৰ ভিতৰত থাকে। আৰু ই পৰিস্থিতি সাপেক্ষে হে ওলাই আহে। ভয় আন একো নহয় । ভয় হ'ল - মনলৈ অজানিতে অহা এক চিন্তাহে। যদিহে আমি ভয়ক জয় কৰিব পাৰোঁ তেনেহ'লে আমি জীৱনত নিশ্চয় আগবাঢ়ি যাব পাৰিম। মানুহৰ জীৱনটোৱে হ'ল দুদিনীয়া । এক নিৰ্দিষ্ট সময়ত পৃথিৱীলৈ আহি এক নিৰ্দিষ্ট সময়ৰ ভিতৰত আমি আমাৰ কৰ্তব্য সমূহ পালন কৰি এক নিৰ্দিষ্ট সময় অনুসৰি আমি সকলোৱে বিদায় মাগিব লাগিব। এই কথা চিৰন্তন সত্য গতিকে ইয়াত ভয় কৰিবলগীয়া একোৱেই নাই। মেৰি কুৰিয়ে কৈছিল - জীৱনত ভয় খাবলৈ একোৱেই নাই । আছে মাথোঁ জীৱনক বুজিবলৈ। আমি সকলোৱে ভয় নকৰি নিজ নিজ কৰ্তব্য সমূহ পালন কৰি যোৱা উচিত। কৰ্তব্যই ভয়ক জয় কৰাত সহায় কৰে । গতিকে আমি সকলোৱে জীৱনত ভয়ৰ অবিহনে ভালদৰে আগবাঢ়ি যোৱা উচিত। আৰু এনেদৰে আমি ভয়ক জয় কৰিব পাৰিম।


অসম চৰকাৰ
'অগণন উজ্জ্বল ডেকা সুপুৰুষ
আৰু আশাভৰা দৃষ্টিৰ গাভৰুৰ মুখ'
নতুন সমাজ এয়া নতুন পুৰুষৰ
অসমীক গঢ়িব
আত্মনিৰ্ভৰ
মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত
দ্বিতীয় কিস্তিৰ
৬৬ কোটি টকা মুকলি
মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ যোগেদি অসমত নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি উদ্যোগীকৰণৰ এক বাতাৱৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰা হৈছে। এই আঁচনিখনৰ দ্বাৰা নৱ প্ৰজন্মক নিজৰ ভৰিত থিয় হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদান কৰা হ'ব।"
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম
মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান
নিৰ্বাচিত উদ্যোগীলৈ
২,০০,০০০/৫,০০,০০০ টকাৰ
আৰ্থিক অনুদানৰ আঁচনি
JANASANYOG- 3058/24/24-Nov-24
৩০ ছেপ্তেম্বৰ ২০২৪ তাৰিখে
ৰাজ্যৰ ২৫,০০০ৰো
অধিক উদ্যোগীৰ প্ৰতিগৰাকীক
৭৫,০০০ টকাকৈ
প্ৰথম কিস্তি আদায় দিয়াৰ পাছত
প্ৰক্ৰিয়া
৯ নৱেম্বৰ ২০২৪ৰ পৰা
প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ প্ৰক্ৰিয়াৰ জৰিয়তে
দ্বিতীয় কিস্তিৰ ধন মুকলিৰ প্ৰক্ৰিয়া
মুকলি কৰিবলগীয়া দ্বিতীয় কিস্তিৰ মুঠ ধনৰাশি
৬৬ কোটি টকা
সাধাৰণ অৰ্হতা থকা উদ্যোগীক প্ৰদান কৰিবলগীয়া দ্বিতীয় কিস্তি
২৫,০০০ টকা
(প্ৰতিগৰাকীক)
বৃত্তিগত অৰ্হতা থকা উদ্যোগীক প্ৰদান কৰিবলগীয়া দ্বিতীয় কিস্তি
১,৭৫,০০০ টকা
(প্ৰতিগৰাকীক)
চুক্তি স্বাক্ষৰ কৰা আৰু বাধ্যতামূলক প্ৰশিক্ষণ সম্পূৰ্ণ কৰা সকলো অৰ্হতাসম্পন্ন উদ্যোগীয়ে দ্বিতীয় কিস্তিৰ ধনৰাশি লাভ কৰিব
চি এম এ এ এ ২.০ৰ বাবে গুৰুত্বপূৰ্ণ ঘোষণা
পঞ্জীয়ন প্ৰক্ৰিয়া অব্যাহত
ৰাজ্যৰ অতিৰিক্ত ৭৫,০০০ অৰ্হতাসম্পন্ন উদ্যোগীলৈ সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে
১৮ অক্টোবৰ ২০২৪ তাৰিখে মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ মুকলি কৰা হৈছিল। এই আঁচনিৰ বাবে আগ্ৰহী তথা অৰ্হতাসম্পন্ন উদ্যোগীসকলক cmaaa.assam.gov.inত পঞ্জীয়ন কৰি আঁচনিখনৰ সুবিধা গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।
বিশেষ দ্ৰষ্টব্য – শিৰোনামত ব্যৱহৃত দুশাৰী বাক্য ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ এটি গীতৰ পৰা উদ্ধৃত কৰা হৈছে
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# দুগৰাকী অসমীয়া বিজ্ঞানীলৈ শ্ৰদ্ধা নিবেদন

**বন্দিতা শৰ্মা কন্দলি**

বিশিষ্ট বিজ্ঞানী আৰু বিজ্ঞান মানসিকতাৰে পুষ্ট বিজ্ঞান লেখক ড° নলীন বৰঠাকুৰ আৰু বিশিষ্ট গণিতজ্ঞ ড° বুদ্ধ প্ৰসাদ চেতিয়াৰ দেহাৱসান ঘটে ক্ৰমে ১২ নৱেম্বৰ আৰু ১৩ নৱেম্বৰ ২০২৪ত। যোৰহাট দিগম্বৰ চুকৰ নিবাসী ড° নলীন বৰঠাকুৰৰ জন্ম হয় ১৯৪৬ চনত ডফলাটিং চাহ বাগিচাত। যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা সাং কৰি ৰসায়ন বিজ্ঞানত অনাৰ্ছসহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৯ চনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে শিৱসাগৰ মহাবিদ্যালয়, যোৰহাট বিজ্ঞান মহাবিদ্যালয়ত শিক্ষকতাৰ চাকৰি কৰিছিল যদিও ১৯৭৫ চনত উত্তৰ পূব বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানত চাকৰিত যোগদান কৰি ২০০৮ চনত মুখ্য বিজ্ঞানী হিচাপে অৱসৰ গ্ৰহণ কৰে। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী আৰু জাৰ্মানীৰ পৰা প'ষ্ট ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ কেইবাটাও উদ্ভাৱন পদ্ধতি ৰাষ্ট্ৰীয় আৰু আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ত দলীয় আৰু ব্যক্তিগতভাৱে স্বীকৃতি লাভ কৰিছিল। বিজ্ঞান লেখক হিচাপেও তেখেত জনপ্ৰিয় আছিল। তেখেতৰ প্ৰবন্ধ সংকলন দুখন হৈছে 'চিন্নপাতৰ তৰী', 'আধুনিক বিজ্ঞানৰ জন্ম কাহিনী'। বিজ্ঞান জনপ্ৰিয়কৰণক জীৱনৰ ব্ৰত হিচাপে লোৱা বিজ্ঞানীজনৰ শেহতীয়া বিজ্ঞান লেখা কেইটা হ'ল 'উত্তৰ আধুনিক সময় আৰু আমি', 'ভাল নে সফল'; 'বিজ্ঞান আৰু দোমোজাৰ মানুহ'; 'মনুসংহিতাই খুঁচৰি দিয়া গোষ্ঠীগত বিভেদ'; 'বিজ্ঞান আৰু ধৰ্ম' আদি।

ড° বুদ্ধ প্ৰসাদ চেতিয়া অসমৰ এগৰাকী বিশিষ্ট গণিতজ্ঞ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অংকশাস্ত্ৰৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আছিল। তেখেতে গণিত বিষয়ত অসমীয়া মাধ্যমত কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। গণিত জনপ্ৰিয়কৰণত বলিষ্ঠ ভূমিকা পালন কৰা গণিতজ্ঞ গৰাকীয়ে তেওঁৰ 'গণিতৰ ক্ৰমবিকাশৰ ইতিহাস' গ্ৰন্থৰ পাতনিতে লিখিছিল "গণিতৰ ইতিহাসৰ জ্ঞানে গণিত বিষয়টো জনপ্ৰিয় কৰি তোলাত যথেষ্ট সহায় কৰিব পাৰে বুলি আমি বিশ্বাস কৰো"। তেখেত অসম মেথেমেটিক্স, অলিম্পিয়াড আদিৰ লগতো জড়িত আছিল। মৰমৰ মইনাহঁতলৈ মেধাসম্পন্ন দুয়োগৰাকী বিজ্ঞানীৰ পৰিচয় আগবঢ়াই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

চুটিগল্প

# সমাজ সেৱক




**মুন শৰ্মা, লখিমপুৰ**

শীত পুৱাৰ কোমল ৰদ জাকৰ ওম লৈ বৰুৱা বহি আছে চোতালত সেই পুৰণি বেটৰ চকী খনত হাতত বাতৰি কাকত খন।

ছাৰ, বহিছে নে? কাৰোবাৰ মাতত বৰুৱাই মোৰ তুলি চালে। গাঁৱৰে যুৱক অৰবিন্দ।

হেৰা ভাইটি কি খবৰ বহু দিনৰ মূৰত উলালা দেখোন।

হয় ছাৰ, আজি অলপ কাম আছিল আপোনাৰ লগত সেয়ে ভাবিলো পুৱাতে আপোনাক লগ কৰি আহো।

অ' হয় নেকি ভালেই কৰিলা, আজি কালি আগবেলা হে আজৰি পাওঁ বুজিছা, পাছবেলা বহুত ব্যস্ত, আজি ইটো কাইলৈ সিটো এনেকৈ, বাৰু কোৱা এতিয়া কি কাম!

ছাৰ আপোনাক এখন চিঠি দিব আহিছোঁ, অহা কাইলৈ গাঁৱৰ সংঘত এখন প্ৰতিনিধি সভা আছে আপোনাক বিচাৰিছে ৰাইজে এপাক দেখা দিব চিঠি খনতে সকলো লিখা আছে।

ভাল বাৰু, দিয়া যাম এপাক। সুখী হলো দিয়া, কোনো দিনেই গাঁৱৰ অনুষ্ঠান বোৰলৈ মোক নামতে এইবাৰ মোক মাতিছে, অলপ আচৰিত হৈছোঁ, তথাপি গাঁৱৰ ৰাইজে মাতিছে যিহেতু যাম দিয়া।

ল'ৰা টো গল গৈ, যোৱাৰ পাছত চিঠি খন দি পঢ়িব আৰম্ভ কৰিলে তেওঁ। আৰু পাছ দিনা তেওঁ যথা সময়ত সভা গৃহত উপস্থিত হল।

সভা ঘৰ ভৰি আছে কোনোবা শিক্ষক কোনোবা উকীল, কোনোবা লেখক কোনোবা গায়ক। এপাকত তেওঁ অনুভৱ কৰিলে ইয়াত উপস্থিত থকা সকলোকৈ সৰু মানুহ মাত্ৰ তেওঁ।

সময়ত সভা খন আৰম্ভ হল, লগে লগে গাঁৱৰ সংঘৰ পুৰণা সমিতি ভঙ্গ হল, এতিয়া সময় নতুন সমিতি গঠন প্ৰথমেই সভাপতি নিৰ্বাচন। ইয়াত অধিষ্ঠিত হ'ল গাঁৱৰ এজন মদ বেপাৰী ইয়াৰ পাছত সম্পাদক পাতিলে এটা গুণ্ডা প্ৰকৃতি ধনী মানুহক। আৰু তেওঁক দিলে উপ সভাপতি দায়িত্ব।

গোটেই সমিতি গঠন হল সকলো মাথোঁ গাঁৱৰ বৰ মুৰীয়া পৰিয়াল বোৰৰ সদস্য। নাই কোনো সমাজ সেৱা কোনো অভিজ্ঞতা তথাপি প্ৰতি জনৰ পদবী ডাঙৰ। বাদ পৰি ৰ'ল বহুত গুণী জ্ঞানী মানুহ, তেওঁ আচৰিত হল নিজেই সেই পদবী পায় কাৰণ তেওঁ নিজেই বুজিছে নিজক তেওঁক দিয়া পদবী তেওঁ যোগ্য নহয়। কিন্তু কিয় এই কাৰবাৰ বুজি পাওঁতে দেৰি হল তথাপি লাহে লাহে বুজি উঠিল আজিৰ সমাজ পৰিচালিত হয় পৰিয়াল কেন্দ্ৰিক ভাৱে আৰু ধনী মানুহৰ চেহেৰা চাই। আপোনাৰ ধন আছে সমাজত আপুনি আগত ধন নাই সমাজত একেই বাৰে শেষত।

বৰুৱা ল'ৰাটোৰ তিনি বছৰ আগতে ডাঙৰ চাকৰি এটা পালে। গতিকে আগতে সমাজত ভাল থাকি নথকা আজি বৰুৱা সমাজত পালে বিশেষ ঠাই যিয়েই তেওঁক কৰি তুলিব আজিৰ পৰা গণ্য মান্য ব্যক্তি ৰূপে চিহ্নিত। কাৰণ আজিৰ সমাজে চিনি পায় মাত্ৰ টকা আৰু টকা থকা ধনী মানুহ। সৌ সিদিনা দুখীয়া বৰুৱাক সমাজে এঘৰীয়া কৰিছিল মিছা অভিযোগত লগতে কৰিছিল লেই- লেই, চেই-চেই, কাৰণ তেওঁৰ হৈ গোচৰ দিয়া জন ধনী আছিল আৰু আজি সেই বৰুৱাক টকাৰ দাবীত পাতি দিলে সমাজ সেৱক।

# অসমীয়াৰ যাতনা আজি বুজিব কোনে?

**ময়ুৰী বৰগোহাঁই,নৱম শ্ৰেণী**

বিস্তীৰ্ণ পাৰৰে, অসংখ্য জনৰে
হাহাকাৰ শুণিও নিঃশব্দে নীৰৱে
বুঢ়ালুইত তুমি, বুঢ়ালুইত বোৱা কিয় ?
- ভূপেন হাজৰিকা

মোৰ স্বদেশত আজি
জাতি, মাটি, ভেটিৰ
অস্তিত্ব সংকটৰ কলীয়া ডাৱৰ ।
শ্ৰীময়ী অসমীৰ শীতল বুকু
আজি অগ্নিময় হৈ উঠিছে ।
স্বদেশৰ চৌদিশে আজি তেজৰ
তেলেৰে জ্বলা বিদ্ৰোহৰ জুই ;
কৃষ্টি-সংস্কৃতিৰ আজি বিপন্ন !
ধূসৰ ধোৱাৰে আজন্ম আজি অসমীয়া ।
শৰাইঘাটৰ যুদ্ধৰ ৰণদুৰ্মদ
অসমীয়াৰ বুকুৰ বেথা
বুজিবলৈ আজি কাৰো সময় নাই ।
আজি অসমীয়াই কি কৰা উচিত ?
উপদেশ দিবলৈ লাচিতো নাই ।
'নাঙল যাৰ মাটি তাৰ' মহামন্ত্ৰ মাতি
চহা কৃষক-বনুৱাক জাগ্ৰত কৰিবলৈ
আজিতো কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাও নাই ।
শ্ৰমিক-বণুৱাৰ শোষণৰ প্ৰাচীৰ ভাঙি
সাম্ৰাজ্যবাদ আৰু পুঁজিবাদৰ
পণ্য আন্তৰ্জাতিকতা নাশি গীত গাবলৈ
আজিতো জ্যোতিপ্ৰসাদো নাই ।
দিগন্তৰ পম খেদি
আস্থাহীনতাৰ বিপৰীতে
প্ৰশস্তিৰ গীত গোৱা
এক অক্লান্ত পথিক হৈ
মানৱতাৰ জয়গান গাঁৱলৈ
আজিটো সুধাকণ্ঠও নাই ।
কোনে বুজিব !
কোনে বুজিব আজি
লুইতৰ বুকুৰে বৈ যোৱা
সহস্ৰ জনতাৰ বুকুৰ বেথা ।
ক্ষত-বিক্ষত বিক্ষত বিশুদ্ধ
মানৱৰ যাতনা আজি বুজিব কোনে ?
দেশ-জাতি আজি যায় যায় ।
তাহানিৰ শৰাইঘাটৰ যুদ্ধৰ
ৰণদুৰ্মদ অসমীয়া আজি
তোষামোদৰ বাঘজৰীত
বন্দিত্ব হৈ গভীৰ নিদ্ৰাত মগন ।
আজি অসমীয়া জাগিবৰ হ'ল !
বজ্ৰনিনাদে জাগিবৰ হ'ল !
জাগিবৰ হ'ল !
সেয়ে সুধাকণ্ঠৰ গীতৰেই আজি অসমীয়াক
আকৌ সোঁৱৰাব খোজোঁ -
"থলুৱা আৰু নতুন অসমীয়াক
এইবেলি সেৱা যাচিলে
সৌৰৱাব খুজিছো,
অসমৰে ৰাইজে নিজক পাহৰিলে
ভোগালীতো দুৰ্ভোগ পাব,
আৰু বাপতি-সাহোন সেই ৰঙালী বিহুটিও
কঙালীত পৰিণত হ'ব,
আজিৰ অসমীয়াই নিজক নবছালে
অসম ৰসাতলে যাব,
আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব..."।

# শ্ৰীকৃষ্ণঃ সত্য সংস্কৃতি



**মিহিৰ মৌচুম ৰয়**

দুৰ্যোধন গুচি যোৱাৰ ফালে চাই কৃষ্ণই হাঁহিলে। এক ৰহস্যময় হাঁহি। কৃষ্ণৰ নিঃশব্দ হাঁহিত ৰঙা ওঁঠযুৰি নীল বৰণীয়া হ'ল। সেয়া কেৱল এক লহমাৰ বাবেহে।

অকস্মাতে মূৰটো হেলনীয়া কৰি কাষতে অৰ্জুনক দেখি ৰৈ গ'ল কৃষ্ণ। মুহূৰ্ততে তেওঁৰ ওঁঠে বৰণ সলালে। কৃষ্ণৰ অপ্ৰস্তুত অৱস্থা দেখি অজান আশংকাত অৰ্জুনৰ অন্তৰ ক্লিষ্ট আৰু ভাৰাক্ৰান্ত হ'ল। অৰ্জুনৰ অসহায় আৰু ভীৰু মুখ দেখি কৃষ্ণৰ অন্তৰ পমি গ'ল। কৃষ্ণই শান্ত সমাহিত মধুৰ স্বৰেৰে ক'লে-সখি, ভাৱিছিলো তুমি বৰ বুদ্ধিমান। কিন্তু আজি বুজিলো, তোমাতকৈ ভীৰু কোনো নাই। এনে কাপুৰুষেনো কুৰুক্ষেত্ৰত যুঁজ দিব কেনেকৈ? ৰথৰ সাৰথি হৈ বোজাহে বব লাগিব মই।

অৰ্জুন আশ্বস্ত হ'ল। ফৰকাল ভাৱ এটাই মনটোত খলকনি লগালে। "সখি ভগৱান শ্ৰীকৃষ্ণ তেওঁৰ ৰথৰ সাৰথি হ'ব"। পৃথিৱীত ইয়াতকৈ ডাঙৰ সহায় আৰু কি হ'ব পাৰে? যুদ্ধত অৰ্জুনৰ ৰথৰ সাৰথি হৈ শ্ৰীকৃষ্ণই সহায় কৰক বা নকৰক, কিন্তু বিপদ কালত এগৰাকী জ্ঞানী মন্ত্ৰণাদাতা আৰু বিচক্ষণ নেতাৰ খুবেই প্ৰয়োজন। যুদ্ধত জয়ী হ'বলৈ হ'লে ভাল নেতৃত্বৰ খুবেই দৰ্কাৰ। দেশ আৰু জাতিৰ মঙ্গলৰ বাবে প্ৰজ্ঞাৱান নেতাৰ মন্ত্ৰণা বৰ আৱশ্যক।

অৰ্জুন যেন আত্মহাৰা। কৃষ্ণক সাৱটি ধৰি ক'লে- সখি, তুমি যুদ্ধত অস্ত্ৰ ধৰিব নেলাগে। কেৱল তুমি কাষত থাকিলেই আমি পাণ্ডৱ পক্ষই কৌৰৱৰ সমস্ত যোদ্ধাকে বধ কৰিব পাৰিম।

অৰ্জুনৰ আৱেগ দেখি কৃষ্ণ অভিভূত হ'ল। ক'লে-বিগত বিপদৰ দিনবোৰত যেনেকৈ সহায় কৰি আহিছো, তেনেকৈ কুৰুক্ষেত্ৰ যুদ্ধতো জয়ী কৰাবলৈ মই অস্ত্ৰ ধৰাৰ বাহিৰে সকলো প্ৰকাৰে সহায় কৰি যাম।

ঃ ধন্য সখি, ধন্য। ধন্য পাণ্ডৱকুল আজি। মই কৃতাৰ্থ। আহা, এবাৰ আলিঙ্গন কৰো সখি।

এই বুলি পৰম আনন্দৰে দুয়ো আলিঙ্গন কৰিলে।

ঃ সখি, এতিয়া যোৱাগৈ। যুদ্ধলৈ বেছিদিন নাই। ৰণসজ্জা তৈয়াৰ কৰাগৈ।

অৰ্জুন যোৱাৰ ফালে কৃষ্ণই চাই ৰ'ল। হঠাতে কৃষ্ণৰ মনটো বিষাদে ঘেৰি ধৰিলে।

কৌৰৱৰ কুটিল গ্ৰাসত পাণ্ডৱসকল আজি জৰ্জৰিত। নিঃসহায় নিপীড়িত। ধৃতৰাষ্ট্ৰৰ অন্ধতাৰ সুযোগ লৈ দুৰ্যোধনে পিতৃৰ সহোদৰ-পুত্ৰ, পাণ্ডৱ ভাতৃসকলক চক্ৰান্তৰে ৰাজ্য লাভৰ পৰা বঞ্চিত কৰিছে। মোমায়েক শকুনিৰ সহায়ত প্ৰৰোচনামূলক পাশাখেলত হৰুৱাই বাৰ বছৰ বনবাস আৰু এবছৰ অজ্ঞাতবাসলৈ পঠিয়াইছে। পাণ্ডৱসকলে পিতৃ পাণ্ডুৰ প্ৰাপ্য অৰ্থৰাজ্যৰ সলনি কৌৰৱ পক্ষৰ পৰা বিচাৰিছিল পাঁচখন গাওঁ। কিন্তু অহঙ্কাৰী, লোভী দুৰ্যোধনে পাঁচখন গাওঁ বাদেই, বেজিৰ খোচত লগা মাটিও নিদিয়ে বুলি কোৱাতহে পাণ্ডৱসকলে যুদ্ধৰ আশ্ৰয় লবলগীয়া হ'ল। তথাপি, কৃষ্ণই যুদ্ধৰ সলনি শান্তি প্ৰতিষ্ঠা কৰিবলৈ বিচাৰি দুৰ্যোধনহঁতক বুজাইছিল। সৰ্বনাশী যুদ্ধৰ পৰা আতঁৰি থাকিবলৈ পৰামৰ্শ দিছিল। যুদ্ধ যে ভয়ঙ্কৰ, ৰক্তপাত, লুণ্ঠন, মৃত্যুৰ বধ্যভূমি-সেই কথা বাৰম্বাৰ বুজাইছিল। কিন্তু, বিপদকালে মানৱতা নাশ। বিবেক বিছিন্ন। স্বৰ্ণমুদ্ৰাই যেতিয়া হাতবাউলি মাতে, বিপদলৈ তেতিয়া কোনে কেৰেপ কৰে?

গতিকে, যুদ্ধ অৱশ্যাম্ভাৱী হৈ পৰিল।

যুদ্ধত দুই পক্ষই সমৰ্থক-যুঁজাৰু বিচাৰি ভাৰতৰ ইমূৰৰ পৰা সিমূৰৰ ৰজা-মহাৰজাৰ কাষলৈ গ'ল। কোনোৱে পাণ্ডৱৰ, কোনোৱে কৌৰৱ পক্ষৰ হৈ কউ ৰুক্ষেত্ৰ যুদ্ধত নামিবলৈ সন্মতি প্ৰদান কৰিলে।

একেই কাৰণতে, দুৰ্যোধন আৰু অৰ্জুন শ্ৰীকৃষ্ণৰ কাষ পালে।

দুৰ্যোধন আৰু অৰ্জুন যোৱাৰ পৰত সুসজ্জিত মনোৰম কক্ষত শ্ৰীকৃষ্ণ গভীৰ শয়নৰত। অগৰু-চন্দনেৰে সুবাসিত শ্ৰীকৃষৰ কোঠাটোৰ দেৱালত নয়নাভিৰাম চিত্ৰ- বিচিত্ৰৰ পয়োভৰ। লগতে দেৱালত দেখা গ'ল-ইতিহাসৰ বিষাদময় অশ্ৰু সজল জীয়া চিত্ৰ। কংসৰ লৌহ কাৰাগাৰত শিকলি আৱদ্ধ পিতৃ বসুদেৱ আৰু মাতৃ দৈৱকীৰ কৰুণ মুখৰ ছবি। কংসৰ ওচৰত সন্তানৰ প্ৰাণ ভিক্ষা বিচৰা মাতৃ দৈৱকীৰ অশ্ৰুসজল নয়নৰ ছৱি, ভীম-জৰাসন্ধৰ মল্লযুদ্ধ হাঁহি মুখে উপভোগ কৰি থকা কৃষ্ণৰ ছৱি, শিশুপালৰ ডিঙিলৈ লক্ষ্য কৰি খেদি যোৱা সুদৰ্শন চক্ৰলৈ চাই থকা কৃষ্ণৰ তীৰ্যক চকুহালৰ ছৱিলৈ দুৰ্যোধনে কিছুপৰ চাই ৰ'ল।

নিদ্ৰিত শ্ৰীকৃষ্ণক দেখাৰ লগে লগে তেওঁৰ প্ৰসন্ন মুখৰ স্নিগ্ধ ৰূপ আৰু লাৱণ্যই দুৰ্যোধনক মোহিত কৰিলে। এই কৃষ্ণ, বিশ্বৰ সুখ্যাত কূটনীতিবিদ, অতি সুচতুৰ প্ৰচণ্ড বুদ্ধিমত্তাৰ গৰাকী জনৰ সহায় লাভ কৰিলেই কুৰুক্ষেত্ৰৰ যুদ্ধত জয় নিশ্চিত বুলি দুৰ্যোধন পতিয়ন গ'ল। কিন্তু, কিন্তু...। এই মুহুৰ্তত অৰ্জুনৰ প্ৰৱেশে সকলো 'পতিয়ন' চুৰমাৰ কৰি দিলে। কাৰণ, কৃষ্ণই সাৰ পাই যিজনকেই প্ৰথমতে দেখা পায়, তাৰহে সংগ লোৱাৰ অঙ্গীকাৰ কৰি থৈছে। গতিকে, দুৰ্যোধনে এক লহমাৰ বাবে ভাৱিলে। চিন্তা কৰিলে- কেনেকৈ কি উপায়েৰে কৃষ্ণৰ প্ৰথম দৰ্শনৰ সন্মুখীন হব পৰা যাব।

বহুত চিন্তা কৰাৰ পাছত দুৰ্যোধনে দেখিলে, প্ৰশস্ত কোঠাটোৰ মধ্যস্থলত থকা সুশোভিত বিছনাখনত শ্ৰীকৃষ্ণ শুই আছে। শ্ৰীকৃষ্ণৰ মূৰ শিতানৰ ফালে এখন আৰামী হেলনীয়া দীঘল চকী। সেই আৰামদায়ক

*(বাৰপৃষ্ঠাত চাওক)*

# শৰতৰ এনিশা

**সত্যজিৎ গগৈ,কলিয়াবৰ**



সৌৱা শৰতৰ আকাশত কিহৰ মেলা
চাৰিওফালে দেখোন তৰাৰ খেলা
জোনাকী জনীও হয় আত্মহাৰা।
জোনবাইৰ দেশলৈ আহিছে অগণন সখা
সকলোৱে নাচি বাগি হয় মতলীয়া
ৰাতি ফুলা শেৱালিবোৰো দেখোঁ আনমনা।
কৃষ্ণৰ বাঁহীৰ সুৰত ৰাধাও বলিয়া
সকলোতে ৰাসৰ পোহৰেৰে ভৰা
প্ৰকৃতিও আজি চিৰসেউজীয়া।
কুঁৱলীৰ চাদৰ এখন শুদ্ধ বগা
যেন প্ৰেমিক হে লেপেটা খাই ধৰা
আজি যে শৰতৰ পূৰ্ণিমা নিশা।

# ৰঙা বেলি

**মিতালি বৰঠাকুৰ, মালিগাওঁ**



আবেলিৰ আঁচলত
যেতিয়া ৰঙা বেলিয়ে ৰং সানে
তেতিয়াই মনত পৰে,
মাৰ কপালত জিলিকি থকা ৰঙা ফোঁটটিলৈ।
ৰঙা বেলিৰ ৰঙা ৰং মোৰো প্ৰিয়।
হয়তো আদিম কালৰে পৰাই সকলোৰে প্ৰিয়।
সেই বাবেই উজ্বলি উঠে
প্ৰতি গৰাকী নাৰীৰ বিবাহৰ অন্তৰংগ মুহূৰ্ত্তত
শিৰৰ সেওঁতাত, কপালত আঁকি দিয়া
এটি প্ৰস্ফুটিত ৰঙা বেলি।
যাৰ ৰঙে ঘৰ খনক উজ্বলাই তোলে।
হয়তো মোৰ ককা, আজোককাৰো প্ৰিয় আছিল
ৰঙা বেলিৰ ৰং।
সেয়ে আইতাৰ কপালত জিলিকি উঠিছিল
এটি ৰঙা বেলি।
যেন ৰান্ধনী বেলিৰ টিকটিকিয়া বৰ্ণচ্ছটা।
সেই বাবেই হয়তো মোৰো প্ৰিয় ৰঙা ৰঙৰ বেলি।
পশ্চিমৰ আকাশত যেতিয়া বেলিটোৱে
নৈ খনিৰ নিৰ্মল পানীত নিজকে চাই ৰঙা ফোঁট লয়
তেতিয়াই নৈ খনি সেন্দুৰীয়া হৈ পৰে।
যাৰ সান্নিধ্যত মোৰ কলমেৰে নিগৰি আহে
ৰঙা ওঁঠৰ মৌণ ভাষা বোৰ
আৱেলিৰ এটি এটি কবিতা হৈ।
য'ত বিলীন হৈ থাকে জীৱন জীয়াৰ
এমুঠি ৰঙা ৰঙৰ সৌন্দৰ্য।

# ৰাজ্যৰ ৫ বিধানসভা সমষ্টিতে

৮১, ৩২১টা ভোট লাভ কৰাৰ বিপৰীতে কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনে ৫৬, ৮২০টা ভোট লাভ কৰে। সমষ্টিটোৰ আপৰ প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীয়ে ৯৩৪টা, নিৰ্দলীয় মুছাব্বিৰ আলী আহমেদে ৭৫৫টা, শশী তাঁতীয়ে ৬৮১টা, আব্দুল মজিদে ৩৭২টা, ফাতেমা খাতুনে ২১৬টা, এছইউচিআই (চি)ৰ আব্দুছ ছবুৰ মিঞাই ১৯৬টা, নিৰ্দলীয় জেহেৰুল ইছলামে ১৭৬টা, ভাৰতীয় গণ পৰিষদৰ বীৰেন বছাকে ১৪৯টা, ৰাষ্ট্ৰীয় উলেমা কাউঞ্চলৰ ৰাব্বুল হকে ১৩৯টা ভোট লাভ কৰে। সমষ্টিটোত ১, ০৬৫টা ভোট ন'টাত পৰে। ইফালে, বঙাইগাঁও সমষ্টিত অগপৰ দীপ্তিময়ী চৌধুৰীয়ে ৩৫, ১৬৪টা ভোটৰ ব্যৱধানত জয়লাভ সাব্যস্ত কৰিছে। দীপ্তিময়ী চৌধুৰীয়ে ৭৪, ৭৩৪টা ভোট লাভ কৰাৰ বিপৰীতে নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ব্ৰজেনজিৎ সিংহই ৩৯, ৫৭০টা ভোট লাভ কৰে। অগপৰ পৰা বিসম্বাদ কৰি নিৰ্দলীয় প্ৰাৰ্থী হিচাপে অৱতীৰ্ণ হোৱা শৈলেন্দ্ৰ সৰকাৰে ১৩, ৩৮১টা, নিৰ্দলীয় অনুপ কুমাৰ কৰ্মকাৰে ৫, ০১৩টা, গৌতম ৰয়ে ২, ৮৯৬টা, , দীপক দাসে ১, ৮৬৮টা, এছইউচিআই (চি)ৰ মৃত্যুঞ্জয় ৰাভাই ১, ৩৪৫টা আৰু নিৰ্দলীয় ভদ্ৰেশ্বৰ বৰ্মনে ১, ০৯৯টা ভোট লাভ কৰে। সমষ্টিটোত ২, ৭১৪টা ভোট ন'টাত পৰিছে। সেইদৰে চিদলী সমষ্টিত ইউপিপিএলৰ নিৰ্মল কুমাৰ ব্ৰহ্মাই ৩৭, ০১৬টা ভোটৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। নিৰ্মল কুমাৰ ব্ৰহ্মাই ৯৫, ২৪৩টা ভোট লাভ কৰাৰ বিপৰীতে নিকটতম প্ৰতিদ্বন্দ্বী বিপিএফৰ শুদ্ধ কুমাৰ বসুমতাৰীয়ে ৫৮, ২২৭টা ভোট লাভ কৰে। কংগ্ৰেছৰ সঞ্জীৱ ৱাৰীয়ে ৭, ৬৩৪টা ভোট লাভ কৰিছে। সমষ্টিটোত ৩, ৬৭১টা ভোট ন'টাত পৰিছে। এই নিৰ্বাচনী ফলাফলত স্বাভাৱিকতে কেইবাখনো ছবি পৰিস্ফুট হৈ পৰে। বিহালীত বিজেপিৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱালৰ বিজয়ৰ লগে লগে যোৰহাটৰ কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ দৰ্পচূৰ্ণ হ'ল বুলিব পাৰি। কিয়নো, যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে এক কথাত ক'বলৈ গ'লে বিহালীত জয়ন্ত বৰাক কংগ্ৰেছৰ টিকট দিছিল। ইয়াৰ বাবে অসম সন্মিলিত মঞ্চৰ সৈতেও কংগ্ৰেছৰ সম্পৰ্ক ছেদ হৈছিল। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়াকে ধৰি প্ৰদেশ কংগ্ৰেছৰ গৰিষ্ঠসংখ্যক নেতাই এইবাৰৰ উপ- নিৰ্বাচনত বিহালীৰ আসনখন সন্মিলিত মঞ্চৰ অংশীদাৰ দলক এৰি দি সকলো বিৰোধী ঐক্যবদ্ধভাৱে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব বিচাৰিছিল। কিন্তু গৌৰৱ গগৈয়ে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ সৈতে থকা সম্ভাৱ আৰু প্ৰভাৱ খটুৱাই বিহালীত তেওঁৰ পছন্দৰ প্ৰাৰ্থী জয়ন্ত বৰাক কংগ্ৰেছত যোগদানৰ পূৰ্বেই কংগ্ৰেছৰ টিকট দিয়াৰ ব্যৱস্থা কৰে। কিন্তু নিৰ্বাচনী ফলাফলত দেখা গ'ল বিহালীৰ জনতাই গৌৰৱ গগৈক প্ৰত্যাখ্যান কৰিলে। সেইদৰে এই ফলাফলত দেখা গ'ল বঙাইগাঁৱত পৰিয়ালতন্ত্ৰৰ জয় অব্যাহত থাকিল। এইবাৰ উপ-নিৰ্বাচনত বঙাইগাঁও সমষ্টিত অগপই সাংসদ ফণীভূষণ চৌধুৰীৰ পত্নী দীপ্তিময়ী চৌধুৰীক দলীয় টিকট প্ৰদান কৰে। সাংসদ ফণীভুষণ চৌধুৰীয়ে বঙাইগাঁৱত পৰিয়ালতান্ত্ৰিক ৰাজনীতি চলোৱাৰ গুৰুতৰ অভিযোগ কৰি বঙাইগাঁও জিলা অগপৰ সভাপতি বিজয় সিংহ, সাধাৰণ সম্পাদক শৈলেন্দ্ৰ সৰকাৰৰ নেতৃত্বত একাংশই দল ত্যাগ কৰাৰ লগতে শৈলেন্দ্ৰ সৰকাৰে নিৰ্দলীয় হিচাপে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হয়। কিন্তু ইমানৰ পিছতো নিৰ্বাচনত সাংসদ ফণীভূষণ চৌধুৰীৰ পত্নী দীপ্তিময়ী চৌধুৰী বৃহৎ ভোটৰ ব্যৱধানত জয়লাভ কৰে। বঙাইগাঁৱত সাংসদ চৌধুৰীয়ে পত্নী দীপ্তিময়ী চৌধুৰীক জয়ী কৰাবলৈ সক্ষম হয় যদিও চামগুৰিত সাংসদ ৰকিবুল হুছেইনে পুত্ৰ তাঞ্জিল হুছেইনক বিজয়ী কৰাব নোৱাৰিলে। চামগুৰিত তাঞ্জিল হুছেইন জয়ী হোৱা হ'লে তেওঁ হ'লহেঁতেন হুছেইন পৰিয়ালৰ তৃতীয় প্ৰজন্মৰ প্ৰাৰ্থী। পূৰ্বতে চামগুৰি সমষ্টিত প্ৰতিনিধিত্ব কৰিছিল ৰকিবুল হুছেইনৰ পিতৃ নুৰুল হুছেইনে। ২০০১ চনৰ পৰা ধাৰাবাহিকভাৱে সেই সমষ্টিৰ পৰা বিজয় হৈ আহিছে ৰকিবুল হুছেইন। এইবাৰ উপ- নিৰ্বাচনত ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইন নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছিল। কিন্তু চামগুৰিৰ জনতাই হুছেইন পৰিয়ালৰ তৃতীয় প্ৰজন্মৰ প্ৰতিনিধিক আজি প্ৰত্যাখ্যান কৰা পৰিলক্ষিত হ'ল। সেইদৰে এই ফলাফলত পুনৰ বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ ৰাজনৈতিক অংক ভুল প্ৰমাণিত হ'ল। হাগ্ৰামা মহিলাৰীয়ে এইবাৰ উপ- নিৰ্বাচনত চিদলী সমষ্টিত বিপিএফৰ প্ৰাৰ্থীগৰাকী কমেও তিনি হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিব বুলি দাবী কৰি আহিছিল। কিন্তু আজি ফলাফলত দেখা গ'ল সমষ্টিটোত বিপিএফৰ প্ৰাৰ্থীগৰাকীক ৩৭, ০১৬টা ভোটৰ ব্যৱধানত ইউপিপিএলে পৰাস্ত কৰিলে।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক

হাতত লৈ পৰম্পৰাগত সাজ-পোছাক পৰিহিত লোকসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি জনোৱাৰ সময়ত উৎসাহ প্ৰদৰ্শন কৰে। গায়ানাৰ জৰ্জটাউনত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিমানবন্দৰত অভাৱনীয়ভাৱে দেশখনৰ ৰাষ্ট্ৰপতি ইৰফান আলীয়ে আদৰণি জনায়। গায়ানা ভ্ৰমণৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ চৰকাৰে সৰ্বোচ্চ অসামৰিক সন্মানেৰে বিভুষিত কৰা হ'ব বুলিও আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। গায়ানাৰ উপৰি বাৰ্বাডোজে তেওঁলোকৰ দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান আগবঢ়াব প্ৰধানমন্ত্ৰী মোদীক। ডমিনিকাৰ সৰ্বোচ্চ সন্মান আগবঢ়োৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ গায়ানাৰ সৰ্বোচ্চ সন্মান ‘দ্য অৰ্ডাৰ অৱ এক্সিলেঞ্চ’ আৰু বাৰ্বাডোজৰ ‘অনাৰী অৰ্ডাৰ অৱ ফ্ৰীডম অৱ বাৰ্বাডোজ’ মোদীক আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

# দ্বিতীয় বাৰ্ষিক ‘গন্ধৰ্ব নাট মহোৎসৱ’

৭ ডিচেম্বৰ তাৰিখে বিচমিল্লা খাঁ বঁটা প্ৰাপক ডিম্পী বৈশ্যৰ সত্ৰীয়া নৃত্যৰে সেইদিনাৰ সন্ধিয়াটি শুভাৰম্ভণী কৰা হব। ‘গন্ধৰ্ব’ৰ বিংশতিতম বৰ্ষপূৰ্তিৰ লগত সঙ্গতি ৰাখি অহা ৭ ডিচেম্বৰ, আবেলি ৩.০০ বজাৰ পৰা প্ৰথম শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ জীৱন শিল্পী আদ্য শৰ্মা সোঁৱৰণী ‘চিত্ৰাংকণ প্ৰতিযোগিতা’ আৰু ডিচেম্বৰৰ ৮ তাৰিখে ৰাতিপুৱা ১০.০০ বজাৰ পৰা চতুৰ্দশ বাৰ্ষিক সদৌ অসম ভিত্তিত ‘ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা’ দুটা শাখাত অনুষ্ঠিত হ'ব (‘ক’ শাখা ১৫ বছৰ তলৰ আৰু ‘খ’ শাখা ১৫ বছৰ ওপৰৰ)। প্ৰতিযোগীয়ে বয়সৰ প্ৰমাণ পত্ৰ জমা দিয়াটো বাধ্যতামূলক। প্ৰতিযোগিতাত বাদ্যযন্ত্ৰী উদ্যোক্তাৰ তৰফৰ পৰা যোগান ধৰা হ'ব। প্ৰতিযোগিতাত প্ৰতিযোগীৰ সাঁজপাৰ মাৰ্জিত হোৱাটো বাঞ্ছনীয়। যিকোনো সিদ্ধান্তৰ ক্ষেত্ৰত কমিটিৰ সিদ্ধান্ত চূড়ান্ত বুলি বিবেচিত হ'ব। ৮ ডিচেম্বৰত সন্ধিয়া ৭.০০ বজাত বঁটা বিতৰণী অনুষ্ঠানত নগদ ধন আৰু চূড়ান্ত  বঁটাৰ লগতে প্ৰমাণ প্ৰত্ৰ বিজয়ী প্ৰতিযোগীক প্ৰদান কৰি সাংস্কৃতিক অনুষ্ঠানেৰে গন্ধৰ্বৰ বৰ্ষপূতিৰ সামৰণি ঘটিব। সবিশেষ জানিবৰ বাবে ৯৮৬৪১-৩০৫৭২, ৯৩৬৫৩-৪৩১৯৫, ৭০০২৮-৪৭২৪০- এই নম্বৰসমূহত যোগাযোগ কৰিব পাৰিব বুলি ‘গন্ধৰ্ব’ই এক প্ৰেছ বিজ্ঞপ্তি যোগে জনাইছে।

# মহাৰাষ্ট্ৰত বিজেপি

এনডিএত মুখ্যমন্ত্ৰী একনাথ শিন্দে নেতৃত্বাধীন শিৱসেনা আৰু উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ নেতৃত্বাধীন এনচিপিয়ে পূৰ্বৰ তুলনাত অধিক আসন লাভ কৰাই নহয়, বিভক্ত হোৱাৰ পিছত নিৰ্বাচন আয়োগে স্বীকৃতি দিয়া উদ্ধৱ থাৰে শিৱসেনা আৰু শাৰদ পাৱাৰ শিৱসেনাৰ অস্তিত্বক প্ৰায় নস্যাৎ কৰি দিয়ে। উপ-নিৰ্বাচনৰ ফলাফলত ২৮৮খন আসনৰ ভিতৰত বিজেপিয়ে ১৩২খন আসন লাভ কৰাৰ বিপৰীতে শিৱসেনাই ৫৭ আৰু এনচিপিয়ে ৪১খন আসন লাভ কৰে। ইয়াৰ বিপৰীতে মহাবিকাশ আঘাড়ীৰ কংগ্ৰেছে ১৬, শিৱসেনা (উদ্ধৱ থাকৰে) ২০ আৰু এনচিপি (শাৰদ পাৱাৰ)-এ ১০খন আসন লাভ কৰে। ইয়াৰ উপৰি সমাজবাদী পাৰ্টীয়ে দুখন, জেএছএছে দুখন, ভাৰতীয় যুৱ স্বাভিমান পাৰ্টীয়ে এখন, ৰাষ্ট্ৰীয় সমাজপক্ষ এখন, চিপিআই(এম) এখন, পিডব্লিউপিআয়ে এখন, আৰএছভিএ এখন আৰু নিৰ্দলীয়ই দুখন আসন লাভ কৰে। মহাৰাষ্ট্ৰত মহাযুটিয়ে অভিলেখসংখ্যক আসনেৰে জয়ী হোৱাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাকে ধৰি শীৰ্ষ নেতাসকলে মুখ্যমন্ত্ৰী একনাথ শিন্দে, উপ- মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজ আৰু উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰক অভিনন্দন জ্ঞাপন কৰিছে। মহাযুটিয়ে বিজয় সাব্যস্ত কৰাৰ পিছত বিজেপিৰ জ্যেষ্ঠ নেতা তথা উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰ্ণাৱিজে অভিমন্যু হৈ বিৰোধীৰ চক্ৰবেহু কিদৰে ভংগ কৰিব লাগে, তেওঁ জানে বুলি মন্তব্য কৰিছে। তদুপৰি এই নিৰ্বাচনে প্ৰকৃত শিৱসেনা আৰু প্ৰকৃত এনচিপিৰ স্বীকৃতি ৰাইজে শিন্দে আৰু অজিত পাৱাৰক দিলে বুলিও কয় ফাৰ্ণাৱিজে।

# গৌৰৱৰ অহংকাৰৰ

সমষ্টিতে প্ৰতিদ্বন্দ্বিতা কৰিলে আৰু বিৰোধী ঐক্যমঞ্চ ভাঙি দিছিল। কিন্তু উপ-নিৰ্বাচনৰ ফলাফলে স্পষ্ট কৰিলে যে কংগ্ৰেছৰ এই অহংকাৰৰ বাবেই, নিৰ্বাচনত কংগ্ৰেছে যি ভিত্তিহীন স্থিতি ল'লে তাৰ বাবেই আজি অসমত বিজেপিয়ে অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হ'ল। আমি বাৰম্বাৰ কৈ আহিছোঁ যে দেশৰ য'তেই বিজেপিৰ বিৰুদ্ধে বিৰোধী দলসমূহ ঐক্যবদ্ধ হৈছে তাতেই বিৰোধীয়ে সুফল লাভ কৰিছে আৰু কংগ্ৰেছে য'তেই বিজেপিৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে তাতেই সদায় তেওঁলোক পৰাজয় হৈছে। অসমৰ ক্ষেত্ৰতো একেই ফলাফল দেখিবলৈ পোৱা, গৈছে। এয়া অতিশয় দুৰ্ভাগ্যজনক কথা। কংগ্ৰেছে তেওঁলোকৰ অহংকাৰ ত্যাগ কৰিব লাগিব। লোকসভা নিৰ্বাচনত কংগ্ৰেছে অকণমান ফলাফল ভাল কৰাৰ পাছত তেওঁলোকে ভাবি লৈছিল যে তেওঁলোক অপ্ৰতিদ্বন্দ্বী, তেওঁলোকক কোনেও হৰুৱাব নোৱাৰিব, বেলেগক লগত লোৱাৰ প্ৰয়োজন নাই। এই ধাৰণাৰ বাবেই আজি কংগ্ৰেছে দুৰ্ভাগ্যজনক ফলাফল লাভ কৰিছে। দৰাচলতে এই নিৰ্বাচনী ফলাফল গৌৰৱ গগৈৰ অহংকাৰৰ ওপৰত এয়া এক মোক্ষম আঘাত।

# অন্ধবিশ্বাস দূৰীকৰণ

ফালৰ পৰা জ্যেষ্ঠ শিক্ষক থানেশ্বৰ শইকীয়া, শিৱকান্ত মহন্ত, জয় দোলাকাষৰীয়া, নাৰায়ণ শইকীয়া, ৰিতা দোলাকাষৰীয়া আদিয়ে বক্তব্য আগবঢ়াই এনে সজাগতামূলক সভা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক সজাগ কৰাৰ বাবে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা ছাত্ৰী দুলুমণি ৰেগন আৰু ছাত্ৰ জয়ন্ত বৰাই নিজৰ অনুভৱ ৰাখ্যা কৰি সকলোকে আপ্লুত কৰে। মাজুলীৰ কেইবাজনো বিশিষ্ট শিক্ষাবিদ তথা বিদ্যালয়ৰ শিক্ষকসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, মাজুলী খণ্ডৰ সমন্বয়ক বিকাশ বৰাই।

# বিলাসীপাৰাত গুৱাহাটীৰ

কেইবাজনো লোকক আটক কৰি সোধা-পোছা কৰিবলৈ লয়। আটকাধীন লোককেইজনে বোৱাৰীগৰাকীক পৰিকল্পিতভাৱে হত্যা কৰা বুলি আৰক্ষীৰ তদন্তত উদ্‌ঘাটন হয়। ভৱলুমুখ থানাৰ আৰক্ষীয়ে বিলাসীপাৰা আৰু চাপৰ থানৰ আৰক্ষীৰ সহযোগত এক্সকেভেটৰ লৈ টোকৰাবান্ধাৰ নটেয়া গাঁৱত উপস্থিত হয়। পিছত ৰফিকুলৰ ভাতৃ হাবিজুলে কিদৰে বোৱাৰীগৰাকীক হত্যা কৰি ক'ত গাঁত খান্দি পুতি থৈছিল সেয়া দেখুৱাই দিয়ে। লগে লগে এক্সকেভেটৰেৰে দেখুৱাই দিয়া স্থানত খান্দিবলৈ আৰম্ভ কৰে। মহানগৰৰ পৰা অহা দণ্ডাধীশৰ সন্মুখতে গাঁতটোৰ পৰা বোৱাৰীগৰাকীৰ অৰ্ধগলিত মৃতদেহ ওলাই পৰে। আৰক্ষীৰ দলে ৰমেনাৰ মৃতদেহ গুৱাহাটীলৈ প্ৰেৰণ কৰে। ইফালে হত্যাকাণ্ডটোৰ মূল অভিযুক্ত ৰফিকুল বৰ্তমানলৈ পলাতক হৈ আছে। এই সন্দৰ্ভত মহানগৰ আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে বুলি জানিব পৰা গৈছে। কিন্তু কি কাৰণত এই নৃশংস হত্যাৰ বলি হ'ল ৰমেনা খাতুন, সেয়া বৰ্তমানলৈকে ৰহস্যৰ আৱৰ্তত।

# ENGLISH NEWS SECTION

## Assam and Manipur Governor administer Oath of Office to the Chief Justice of Manipur



Guwahati,RB News: Assam and Manipur Governor Shri Lakshman Prasad Acharya administered the oath of office to, Justice D. Krishnakumar as the Chief Justice of the High Court of Manipur at a solemn ceremony held at the Darbar Hall of Raj Bhavan in Imphal.It is to be mentioned that Justice D. Krishnakumar served as a judge at Madras High Court was appointed as the Chief Justice of High Court of Manipur by the President of India on 20th November, 2024 following the superannuation of the incumbent, Justice Siddharth Mridul. Chief Minister N. Biren Singh, Speaker of Manipur Legislative Assembly Th. Satyabrata Singh, Cabinet Ministers, MP Rajya Sabha Sanajaoba Leishemba, MLAs, Judges of High Court of Manipur and subordinate courts, top civil, police and military officers and a host of dignitaries attended the swearing in ceremony.

## SITA Vice Chairman Shri Narayan Chandra Borkataky visits Kanai Barasi Bowa Archaeological Site on World Heritage Week Celebration



Guwahati,RB News: Hon'ble Vice-Chairman Shri Narayan Chandra Borkataky of State Innovation & Transformation Aayog (SITA), Assam attended the program of World Heritage Week at the archaeological site of Kanai Barasi Bowa Rock Inscription at North Guwahati, Kamrup district as the Chief Guest on November 23, 2024 on the occasion of World Heritage Week celebration. The awareness meeting was jointly organized by the Directorate of Archaeology, Assam, and the Indigenous and Tribal Faith and Culture Department in association with the District Administration, Kamrup. Addressing a largely-attended meeting, Hon'ble Vice-Chairman said that we are proud of our nation because of its cultural and archeological heritage. He also mentioned that it is our utmost duty to conserve the heritage sites of Assam and spoked at length about preservation and accessibility of cultural heritage which have become essential with the rapid advancements of globalization and modernization endeavors constantly threatening historical artifacts and sites across the world. He also stressed the importance of creating awareness amongst the people for the protection and preservation of the rich cultural heritage of Assam for the next generation. He also mentioned that he would give utmost support from SITA, Assam in conserving and preservation of the heritage of Assam. The awareness meeting aimed at preserving and protecting heritage was organized as part of World Heritage Week was also attended by Shri Deba Kumar Mishra, District Commissioner, Kamrup; Dr Sudeshna Bhattacharya, Director of ABILAC, Dr Bhaskarjyoti Sarma, Associate Professor Dept. of Language and Linguistics, ABILAC and officials from the Directorate of Archaeology, Assam. The awareness meeting was jointly organized by the Directorate of Archaeology, Assam, and the Indigenous and Tribal Faith and Culture Department in association with the District Administration, Kamrup.

## Jasprit Bumrah takes 7th five-wicket haul in SENA countries



RB News: India stand-in captain and pacer Jasprit Bumrah took his 7th five-wicket haul in SENA countries during the ongoing first Test against Australia in Perth. He has now joined the legendary Kapil Dev in terms of most five-wicket hauls by an Indian in SENA countries. Bumrah has taken 3 five-wicket hauls in South Africa while 2 each in England and Australia.

## Lyon, Hazlewood, Starc, Cummins 1st quartet to touch 500 Test wickets together



RB News: Australian bowlers Josh Hazlewood, Mitchell Starc, Pat Cummins and Nathan Lyon have become the first bowling quartet to take 500 Test wickets together. They achieved the feat during first Border-Gavaskar Trophy Test in Perth on Friday. Of 500 scalps, Cummins has taken the most wickets - 130, while Hazlewood and Starc have taken 124 wickets each. Lyon took 122 wickets.

## BCCI releases dates for next three Indian Premier League seasons



RB News: IPL has released dates for next three seasons. The IPL 2025 will start on March 14 with the final on May 25. The 2026 season will be played between March 15 and May 31, while the 2027 season will be between March 14 and May 30. The 2025 season will comprise 74 matches, the same as the last three seasons.

## South Africa announces squad for Sri Lanka Tests



RB News: South Africa have announced their squad for the upcoming two-match Test series against Sri Lanka from November 27, with captain Temba Bavuma making a comeback alongside Marco Jansen and Gerald Coetzee. Bavuma missed the Bangladesh Tests in October due to an elbow injury.

# শ্ৰীকৃষ্ণঃ সত্য সংস্কৃতি

চকী খনত শ্ৰীকৃষ্ণই মাজে মাজে বহে। আনে সাধাৰণতে সেই চকীখনত নবহে। এক কথাত বাৰণ কৰি থোৱা আছে।

দুৰ্যোধনে ভাৱিলে- সেই চকীখনত বহিলে পোনতেই কৃষ্ণৰ দৃষ্টিত পৰিব আৰু অঙ্গীকাৰ মতে কৌৰৱৰ পক্ষ লব। গতিকে, দুৰ্যোধন চকীখনত বহি ল'লে।

শ্ৰীকৃষ্ণৰ শোৱনি কোঠাত সোমাই অৰ্জুনে দুৰ্যোধনক কৃষ্ণৰ মূৰ শিতানৰ চকী খনত বহি থকা দেখি একো আচৰিত নহ'ল। অৰ্জুনে দুৰ্যোধনৰ দাম্ভিক আৰু অহঙ্কাৰী স্বভাৱৰ কথা জানে। গতিকে, বাৰণ থকাৰ পিছতো কৃষ্ণৰ আছুতীয়া চকীখনত বহাটো একো আচৰিত কথা নহয়। অৰ্জুনে হাঁহি মাৰি কৃষ্ণৰ ভৰি পতানত থকা সাধাৰণ চকীখনতে বহি ল'লে।

কৃষ্ণই দুৰ্যোধন আৰু অৰ্জুনৰ চৰিত্ৰৰ কথা জানে। সেয়ে চকীখন দুখন তেনেকৈ ৰাখি খোৱা হৈছিল।

টোপনিৰ ভাওঁ ধৰি থকা কৃষ্ণই দুচকু মেলিয়েই প্ৰথমে অৰ্জুনক দেখি সুপ্ৰভাত জনালে। খবৰ-খাতি ললে। লগতে, কুৰুক্ষেত্ৰ যুদ্ধত অৰ্জুনৰ ৰথৰ সাৰথি হোৱাৰ প্ৰতিশ্ৰুতি দি কলে- কিন্তু যুদ্ধত মই কোনো পৰিস্থিতিতে অস্ত্ৰ ধৰিব নোৱাৰিম।

অৰ্জুন তাতেই সুখী হল। হ'ব, সখি মোৰ ৰথৰ সাৰথি হ'লেই মই লাভ কৰিম জগতৰ শক্তি। সকলো অস্ত্ৰ ময়েই চম্ভালী লব পাৰিম।

এইবাৰ মুখখন একটিয়া কৰি কৃষ্ণই দুৰ্যোধনলৈ চাই সুপ্ৰভাত জনাই যুদ্ধৰ প্ৰস্তুতিৰ বা-বাতৰি লৈ সুধিলে- কোৱা বীৰ, মই অৰ্জুনৰ ৰথৰ সাৰথি হৈ কুৰুক্ষেত্ৰ যুদ্ধত নামিম। মোৰ বিপৰীতে আপোনাক দিব পাৰিম মোৰ সমযোদ্ধা দহ কোটি নাৰায়ণী সেনা।

লগে লগে দুৰ্যোধন আনন্দত আত্মহাৰা হৈ গল। এজন কৃষ্ণৰ বিপৰীতে দহ কোটি নাৰায়ণী সেনা। তাতে আকৌ কৃষ্ণই যুদ্ধত অস্ত্ৰও নধৰে।

-হ'ব। হ'ব। হে পৰম পিতা ঈশ্বৰ। বহুত বহুত ধন্য কৰিলে কৌৰৱবাহিনীক। এতিয়া নমস্কাৰহে। কৈয়েই দুৰ্যোধন গপগপাই ওলাই গল।

দুৰ্যোধন ওলাই যোৱাৰ ফালে চাই কৃষ্ণই মিচিকিয়াই হাঁহিলে। মনে মনে ক'লে- মূৰ্খ। অহঙ্কাৰেই তহঁতৰ পতন আনিব।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286